# ভাষা আহৰণ (Language Acquisition)

ছামিম হুছেইন

ভাষা মানৱ সমাজৰ সভ্যতা- সংস্কৃতিক প্ৰকাশ কৰা এটি মাধ্যম। সমাজত মানুহে ইজনে সিজনক জানিবৰ কাৰণে, এজনে অন্যজনৰ লগত ভাবৰ আদান-প্ৰদান কৰিবৰ কাৰণে ভাষাৰ আশ্ৰয় লয়। এই ভাষা মানুহৰ মননশীলতাৰ বলিষ্ঠ মাধ্যম। ইয়াৰ যোগেদি মানুহে মনত উদয় হোৱা ভাব, অনুভূতি, চিন্তা-ধাৰণা অন্য এজনলৈ প্ৰেৰণ কৰে আৰু এনেদৰেই মানুহে দৈনন্দিন জীৱনৰ কাম-কাজ চলায়।

ভাষাৰ জন্ম সমাজত। সৃষ্টিৰ আদিতে মানুহে পশুৰ জীৱন-যাপন কৰিছিল। আধুনিক সমাজৰ দৰে তেতিয়াৰ দিনত সভ্যতাৰ প্ৰতিফলন কৰা বস্ত্ৰৰ ব্যৱহাৰ নাছিল। মানুহে হাবি বন ভেদি গছৰ ফল মূল ভক্ষণ কৰি, জীৱ-জন্তু, চৰাই-চিৰিকতি বধ কৰি জীৱিকা নিৰ্বাহ কৰিছিল। নৃতাত্ত্বিক ভাষা বিজ্ঞানীসকলৰ মতে বিভিন্ন কাৰণত মানুহবোৰে দলবদ্ধভাৱে বসবাস কৰাৰ প্ৰয়োজনবোধ কৰে আৰু তাৰ ফলস্বৰূপেই সৃষ্টি হয় সমাজৰ। সমাজত ভাবৰ আদান- প্ৰদানৰ কাৰণে লাহে লাহে মানুহবোৰে প্ৰাকৃতিক শব্দৰাজি, পশু-পক্ষীৰ মাত,, জীৱ-জন্তুৰ চিঞৰ-বাখৰ ইত্যাদিক অনুকৰণ কৰিবলৈ ধৰিলে। যাৰ ফলত ভাষাবিজ্ঞানীসকলৰ মতে মানুহে কিছুমান ধ্বনি বা ধ্বনি সমষ্টি উচ্চাৰণ কৰিবলৈ ল'লে যিবোৰে সামাজিক জীৱনত বিভিন্ন অৰ্থ বহন কৰে। এই ধ্বনি মানুহৰ ঈশ্বৰ প্ৰদত্ত বাগিন্দ্ৰিয়ৰ সহায়ত উচ্চাৰিত ধ্বনি।

ভাষা সমাজৰ বস্তু, ই মানুহৰ প্ৰবৃত্তিজাত নহয়। সমাজ অবিহনে ভাষা পৰম্পৰা থাকিব নোৱাৰে। মানৱ শিশু সমাজত প্ৰতিপালিত হ'লেহে ভাষা আহৰণ কৰিব পাৰে। ভাষা যদিও পৰম্পৰাগতভাৱে এটি শিশুৱে আহৰণ কৰে তথাপি পৰিৱেশ পৰিস্থিতি ভেদে প্ৰয়োজনত ভাব বিনিময়ৰ অৰ্থে এক বা একাধিক ভাষা আহৰণ কৰিবলগীয়া হয়। কাৰণ সমাজভেদে ভাষাও বিভিন্ন হ'ব পাৰে।

শিশুৰ ভাষা আহৰণ সম্পৰ্কে পণ্ডিত সকলৰ মাজত মতভেদ আছে। এচামৰ মতে ভাষা আহৰণ শিশুৰ এটি আচৰণ। শিশুৱে বয়স্ক সকলৰ ভাষা অনুকৰণ কৰি সেই ভাষা আয়ত্ব কৰে। কিন্তু আন এচামৰ মতে শিশুৰ ভাষা আহৰণ আন আচৰণৰ লগত নিমিলে। কোনো কষ্ট নকৰাকৈয়ে শিশুৱে নিজৰ মাতৃভাষা আহৰণ কৰে। এওঁলোকৰ মতে কেৱল অনুকৰণ কৰিয়েই শিশুৱে ভাষাৰ এই সূক্ষ্ম কথাবোৰ আৰু অন্তহীন বাক্যবোৰ নিশ্চয় আয়ত্ব কৰিব নোৱাৰে। এই সম্পৰ্কত নোঅ'ম চমস্কিয়ে কৈছে- "প্ৰতিজন শিশুৰে ভাষা আহৰণৰ বাবে জন্মগত ক্ষমতা আছে। এই ক্ষমতা কেৱল এটা নিৰ্দ্দিষ্ট ভাষা শিকিবলৈ নহয়, শিশুৱে চৌপাশে যি ভাষা শুনে তাকে আহৰণ কৰিব পাৰে। তেওঁ শিশুৰ ভাষা আহৰণৰ দুটা পদ্ধতিৰ কথা কয়-

(ক) প্ৰথম ভাষা আহৰণ (First Language Acquisition)

(খ) দ্বিতীয় ভাষা আহৰণ (Second Language Acquisition)

যিটো ভাষা মানুহে তেওঁৰ শৈশৱ কালতে আহৰণ কৰে আৰু যিটো ভাষাৰ জৰিয়তে স্বাভাৱিক ভাব অনুভূতি তথা সূক্ষ্ম অথচ মৌলিক ভাৱাবেগ সমূহক প্ৰকাশ কৰিবলৈ সক্ষম হয়, সেইটোৱেই প্ৰথম ভাষা। প্ৰথম ভাষাক আগতে মাতৃভাষা বুলিও কোৱা হৈছিল যদিও আধুনিক ভাষা বিজ্ঞানীসকলে মাতৃভাষাত মাকৰ উপৰি পিতৃ অথবা পৰিচালিকাৰ ভাষাৰ প্ৰভাৱৰ দিশলৈ লক্ষ্য কৰি মাতৃভাষাক 'প্ৰথম ভাষা' বুলি কৈছে। সাম্প্ৰতিক কালত ভাষাবিজ্ঞানীসকলে শিশুৰ প্ৰথম ভাষা আহৰণৰ কিছু স্তৰৰ কথা কৈছে। যেনে-

(ক) প্ৰাক্ কথন (Pre- speech)

(খ) কল্‌কলনি (Babbling)

(গ)এটা শব্দ উচ্চাৰণ (One word stage)

(ঘ) দুটা বা তাতোধিক শব্দৰ উচ্চাৰণ (Two or more word stage)

আনহাতে দ্বিতীয় ভাষা মানুহৰ মাতৃভাষা নহয়। এই ভাষা এটি শিশুৱে অন্য এটি সমাজত পৰিৱেশৰ বশৱৰ্তী হৈ শিকিব পাৰে বা আনুষ্ঠানিক ভাবে শিকিব পাৰে। দ্বিতীয় ভাষা শিকাৰ ক্ষেত্ৰত সাধাৰণতে দুই ধৰণৰ প্ৰৱণতাই কাম কৰে। কোনো এক ভাষা একোটা অঞ্চলৰ জনসাধাৰণৰ মাজত দৈনন্দিন কাম-কাজ, শিক্ষা-দীক্ষা, সাংস্কৃতিক ক্ষেত্ৰ, শাসন ব্যৱস্থা আদিত চলিব পাৰে। তেনে স্থলত কোনো বাধ্যবাধকতা নোহোৱাকৈয়ে এজন লোকে স্বাভাৱিকতে সেই ভাষাটোক আহৰণ কৰে। আকৌ কেতিয়াবা বাধ্যবাধকতাৰ ফলতেই দ্বিতীয় ভাষা আহৰণ কৰিবলগীয়া হয়। দ্বিতীয় ভাষাই প্ৰথম ভাষাৰ বাহিৰে এজন ব্যক্তিয়ে আয়ত্ব কৰা সকলো ধৰণৰ ভাষাকেই বুজায়। দ্বিতীয় ভাষা আহৰণ কৰিবলৈও কেইটামান স্তৰ অতিক্ৰম কৰিব লগা হয়। সেইবোৰ হৈছে-

(ক) Pre- production/ Silent mode (0-6 months)

(খ) Early -production (6 months - 1 years)

(গ) Speech Emergence (1 years- 3 years)

(ঘ) Intermediate fluency (3 years- 5 years)

(ঙ) Advanced fluency (5 years - 7 years)

ভাষা আহৰণত বয়সৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। যদিও প্ৰতিজন শিশুৰ একে বয়সতে সমপৰ্যায়ৰ ভাষাৰ বিকাশ নহ'বও পাৰে তথাপি একোটা নিৰ্দ্দিষ্ট বয়স ভাষা আহৰণৰ বাবে উপযুক্ত বুলি ভাষাবিজ্ঞানী সকলে ক'ব খোজে। এই ক্ষেত্ৰত Eric Lenneberg- এ কৈছে- "ভাষাৰ বিকাশ শিশুৰ জৈৱিক বিকাশৰ লগত ওতপ্ৰোতভাৱে জড়িত। ভাষা নিয়ন্ত্ৰক মগজুৰ হাজাৰ হাজাৰ কোষৰ মাজত জন্মৰ সময়ত সংযোগ নাথাকে। মগজুৰ ওজনো জন্মৰ সময়ত বৰ কম থাকে। শিশুৰ জীৱনৰ প্ৰথম দুবছৰত এই কোষবোৰৰ মাজত পাৰস্পৰিক সংযোগ ঘটে আৰু মগজুৰ ওজনো বাঢ়ে। ভাষা আহৰণৰ বাবে মগজু দুবছৰৰ ভিতৰত উপযুক্ত হৈ উঠে। ভাষা আহৰণৰ বাবে আটাইতকৈ উপযুক্ত সময় হৈছে দুবছৰৰ পৰা চৈধ্য বছৰ পৰ্যন্ত। সেয়ে এই সময়ছোৱাক Lenneberg এ Critical period বুলি বৰ্ণনা কৰিছে। তেখেতৰ মতে এই কালছোৱাৰ ভিতৰত ভাষাক সহজে আয়ত্ব কৰিব পাৰি। Critical period- পাৰ হোৱাৰ পিছত মগজুত বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়াই ভুমুকি মাৰে ফলত ভাষা আহৰণত যথেষ্ট কষ্ট কৰিবলগীয়া হয়। দ্বিতীয় ভাষা আহৰণৰ ক্ষেত্ৰ তো একে কথাই প্ৰযোজ্য। অৱশ্যে দ্বিতীয় ভাষা কিমান সোনকালে আয়ত্ব কৰিব সি নিৰ্ভৰ কৰে আহৰণকাৰী, তাৰ চৌপাশৰ পৰিৱেশ পৰিস্থিতি আৰু দ্বিতীয় ভাষাটো আহৰণৰ প্ৰক্ৰিয়াৰ ওপৰতহে।

●●●

'মই এনেকুৱা এখন আলোচনী উলিয়াব খুজিছোঁ, যিখনৰ সম্পাদক আগতে মৰিব, আলোচনীখন নমৰে।'

- ভবেন্দ্ৰ নাথ শইকীয়া

# জাতি- জনজাতিৰ অবিচ্ছিন্ন ধাৰা ঃ সোণোৱাল কছাৰীৰ বিশেষ উল্লিখনেৰে

টিংকু মণি ৰাভা

জাতি জনজাতিৰ অবিচ্ছিন্ন ধাৰাত এটা জাতিৰ ওপৰত পৰা অন্য জাতি বা জনজাতিৰ সভ্যতা সংস্কৃতিৰ পাৰস্পৰিক প্ৰভাৱ বিচাৰ কৰা হয়। অৰ্থাৎ জাতিটোৱে নিজৰ পৰম্পৰাগত সভ্যতা সংস্কৃতিৰ লগতে নতুনকৈ গ্ৰহণ কৰা সভ্যতা সংস্কৃতিক কেনেদৰে ৰক্ষা কৰে তাকে ইয়াত আলোচনা কৰা হয়।

প্ৰাচীন কালতে আৰ্যগোষ্ঠীৰ লোকসকলৰ দ্বাৰা সংস্কৃতায়ন বা হিন্দু কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অসমতো আৰ্য আধিপত্য সৰহ যদিও জনজাতীয় ধ্যান ধাৰণাক উলাই কৰিব নোৱাৰি। বিশেষকৈ ইয়াত শাক্ত আৰু শৈৱ শাখাত আদিম জনজাতিৰ উপকৰণ বেছি। এনে জনজাতীয় লোকসকলক ব্ৰাহ্মণ প্ৰমুখ্যে উচ্চ শ্ৰেণীৰ লোক সকলে হিন্দুকৰণ কৰিছিল। কেৱল সেয়াই নহয় ব্ৰাহ্মণ পুৰোহিত সকলে এওলোকক হাল আৰু খেতি কৰা লগতে নক্ষত্ৰ, ধাতু, বাৰিষা আদি সম্পৰ্কীয় তথ্য সৈতে পৰিচয় কৰাই দিছিল। এনে আদিবাসী লোকসকলে এনেদৰে সময়ৰ লগে লগে বিভিন্ন সভ্যতা সংস্কৃতি গ্ৰহণ কৰে; যদিও তেওঁলোকৰ পৰম্পৰাগত সভ্যতা সংস্কৃতিক সম্পূৰ্ণৰূপে পৰিহাৰ কৰিব পৰা নাই। তেওঁলোকে স্বকীয় সংস্কৃতি ৰক্ষাৰ উপৰিও পাৰম্পৰিক প্ৰভাৱৰ ফলত সোমাই পৰা সভ্যতা সংস্কৃতিকো ৰক্ষা কৰি আহিছে। এনেকুৱা বৈশিষ্ট্য থকা এটা জনজাতি হ'ল- সোণোৱাল কছাৰী সকল। তেওঁলোকৰ মাজত এই ধাৰাটো বিচাৰি পোৱা যায়।

**সোণোৱাল কছাৰী আৰু জাতি জনজাতিৰ অবিচ্ছিন্ন ধাৰা ঃ**

অসমৰ ভৈয়ামত বাস কৰা জনজাতি সকলৰ ভিতৰত তৃতীয় বৃহৎ জনসংখ্যাৰ লোক সকল হ'ল সোণোৱাল কছাৰী সকল। এওঁলোক উজনি অসমৰ লখিমপুৰ ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাত বসবাস কৰি আছে। তদুপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল আৰু নাগালেণ্ডতো এওঁলোকৰ বসতি দেখা যায়। মূলতঃ এওঁলোক মঙ্গোলীয় প্ৰজাতিৰ কছাৰী সকলৰ এটা প্ৰধান ভাগ।

অসমত বাস কৰা সোণোৱাল কছাৰীসকলৰ জীৱন ধাৰণ প্ৰণালী অৰ্থাৎ আৰ্থ সামাজিক সাংস্কৃতিক দিশলৈ লক্ষ্য কৰিলে এটা কথা স্পষ্ট হয় যে নিৰ্দ্দিষ্ট এটা ভৌগোলিক পৰিৱেশৰ মাজত প্ৰায়ে একে ধৰণৰ ৰীতি- নীতি সামাজিক আৰু ধৰ্মীয় দিশ মানি চলি পৰম্পৰাগত চৌহদৰে ঘৰ-বাৰী সাজি কেইবাটাও চুবুৰী মিলি একোখন গাঁও পাতি কৃষিজীৱি হিচাপে জীৱন নিৰ্বাহ কৰে।

ভৈয়ামত বসবাস কৰা এই নৃগোষ্ঠীয় লোকসকল মূলতঃ পিতৃ প্ৰধান জাতি। এওঁলোকৰ মাজত যৌথ পৰিয়াল ব্যৱস্থা আছে। এনে ব্যৱস্থা থকাৰ বাবেই একেখন ঘৰতেই একোটা গায়নৰ দল উৎপত্তি হৈছিল বুলি কোৱা হয়।

তেওঁলোক মূলতঃ বাইথ বা শিৱৰ উপাসক আছিল যদিও মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰতি উজনি অসমৰ আন আন জনগোষ্ঠীৰ দৰে এওঁলোকৰো সৰহ সংখ্যকে আকৰ্ষিত হৈ বৈষ্ণৱ ধৰ্মত শৰণ লয়। ফল স্বৰূপে এই সকল সোণোৱাল লোকৰ মাজত বাইথ মন্দিৰতকৈ নামঘৰৰ প্ৰচলন বেছি। নৱ বৈষ্ণৱ ধৰ্মত দীক্ষা লোৱা সোণোৱাল কছাৰী সকল হেন্দুৰীয়া নামেৰে পৰিচিত। কিন্তু বৈষ্ণৱ- অবৈষ্ণৱ সকলো শ্ৰেণীৰ মাজতেই গৃহ নিৰ্মাণ পদ্ধতি খেতি- বাতি নানা ধৰণৰ বিশ্বাস- অবিশ্বাসৰ ব্যাপক সাদৃশ্য আছে। তেওঁলোকে প্ৰয়োজন অনুসৰি ঘৰসমূহ বেলেগ বেলেগকৈ সাজি লয়। যেনে- পূব দিশত ভৰাঁল, পশ্চিমত হাঁহ, গাহৰিৰ গড়াল, উত্তৰ দিশত ভাতৰ চৰু, দক্ষিণে গোহালি ঘৰৰ স্থান নিৰ্ধাৰণ কৰি লয়। মনকৰিবলগীয়া যে তেওঁলোকৰ বাৰীসমূহ চাৰিওপিনে ঢাপ তুলি সুন্দৰকৈ পাতি লয়। তদুপৰি নকৈ বাৰীপতা বা ঘৰ সজাৰ আগতে ভাল দিন বাৰ চোৱাৰ ব্যৱস্থা আছে। ভেটি চোৱাৰ ক্ষেত্ৰতো শুভ দিন বিচাৰ কৰা দেখা যায়। তেওঁলোকৰ বৰঘৰ,

মাৰল ঘৰ, ঢেঁকীঘৰ, ভৰালঘৰ, নামঘৰ আদিবোৰৰ মাজেৰে এক সুন্দৰ স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়।

সোণোৱাল কছাৰী সকলে বতৰলৈ লক্ষ্য ৰাখি ভিন ভিন খেতি কৰা দেখা যায়। ভাত হ'ল তেওঁলোকৰ প্ৰধান খাদ্য। তেওঁলোক আমিষভোজী লোক বাবে সকলোৱে হাঁহ, কুকুৰা, ছাগলী, গাহৰিৰ উপৰিও চিকাৰ কৰি পোৱা বনৰীয়া চৰাই, পশুৰ মাংস আদি ভক্ষণ কৰে। কেচা গাখীৰ আৰু কেচা পিঠাৰে কৰা পকা মিঠৈ বা চেনী দিয়া কেঁচা মিঠৈ তেওঁলোকৰ অন্যতম প্ৰিয় খাদ্য।

সোণোৱাল কছাৰী সকলৰ মাজত খোৱা খাদ্যক লৈ বহুবোৰ নীতি নিয়ম চলা দেখা যায়। যেনে ঃ- নিশা তিতা আৰু দৈ খোৱা নিষেধ। সেইদৰে গাখীৰৰ লগত নিমখ, বৰালি মাছৰ লগত কৰ্দৈ টেঙা, মদৰ লগত কণী, মাছ-মাংসৰ লগত তিতা খোৱা নিষেধ। শনিবাৰ আৰু মংগলবাৰে তিতা আৰু কচু নোখোৱাটো তেওঁলোকে স্বাস্থ্য বিধিসন্মত বুলি মানি আহিছে।

সকলো জাতি জনজাতিৰ দৰেই সোণোৱাল কছাৰী সকলেও তিনিটা (বহাগ, কাতি, মাঘ) বিহু পালন কৰে। ইয়াৰ উপৰি তেওঁলোকৰ আন এটা ঐতিহ্যমণ্ডিত লোক উৎসৱ হ'ল খ্ৰীং খ্ৰীং বাইথ পূজা। তেওঁলোকৰ সমাজত বহু দেৱ- দেৱীৰ পূজা পাতল তথা বলি বিধানৰো প্ৰচলন আছে। তাৰ ভিতৰত বাঘদেউ পূজা, গজাই পূজা, সৰগদেউ পূজা, কেঁচাইখাইতী পূজা, অপেশ্বৰী সবাহ ইত্যাদি উল্লেখযোগ্য।

জন্ম-মৃত্যু সম্পৰ্কীয় কেতবোৰ ৰীতি- নীতি আৰু পৰম্পৰাগত বিশ্বাসো তেওঁলোকে মানি চলা দেখা যায়। গৰ্ভৱতী মহিলাই কোনো ধৰণৰ জীৱ হত্যা কৰিব নোৱাৰে যদিহে হত্যা কৰে সন্তানো তেনে চাৰিত্ৰিক বৈশিষ্ট্যৰ জন্ম লয় বুলি বিশ্বাস কৰে। সেইদৰে শৱদাহনকে ধৰি সততে কোৰ-কুঠাৰ দা আদিৰ পৰা এনে অৱস্থাত তেওঁলোক সততে আতৰি থকা দেখা যায়। এনে নকৰিলে প্ৰসৱৰ সময়ত ঘৈণীয়েকে অধিক কষ্ট পায় বুলি বিশ্বাস কৰে।

তেওঁলোকে অন্যান্য জাতিসমূহৰ দৰেই মহিলাগৰাকী গৰ্ভৱতী হৈ থকা অৱস্থাত পঞ্চামৃত খুৱায়। ল'ৰা সন্তান জন্ম হ'লে উৰুলি দিয়ে আৰু ছোৱালী হ'লে বেৰত ঢকিয়ায় বা ঢেঁকী দিয়ে।

সোণোৱাল কছাৰী সকলৰ সমাজত মৃত্যু সম্পৰ্কীয় কিছু সুকীয়া নিয়ম আছে। বৰঘৰত যদি কোনোবা লোকৰ মৃত্যু হয় তেনেহলে পিছদুৱাৰেদি মৃতদেহ উলিয়াই নিয়া হয়। পিছ দুৱাৰ যদি নাথাকে তেন্তে বেৰ কাটি হ'লেও মৃতদেহ পিছফালেদিহে উলিয়াই নিয়া হয়। মৃতকৰ শৱ নিবৰ বাবে সজা চাঙিখন একেডাল বাঁহেৰে সজাৰ নিয়ম- তেওঁলোকৰ মাজত প্ৰযোজ্য।

সোণোৱাল কছাৰী সকলৰ মাজত বিবাহ ব্যৱস্থাৰ ক্ষেত্ৰতো কিছু স্বকীয়তা বিৰাজমান। তেওঁলোকৰ মাজত তোলনি বিয়া, বৰ বিয়াৰ উপৰিও- প্ৰজাপত্য বিয়া, গন্ধৰ্ব বিবাহ, ৰভা সৰকাই দিয়া বিবাহ, বিধবা বিবাহ আদিৰ প্ৰচলন আছে।

●●●

'মহৎ কাম কৰোঁতাজন মহৎ, মহত্বক উপলব্ধি কৰোঁতাজনো সমানেই মহৎ'

# বিকালী মহাবিদ্যালয়লৈ একলম

বৰ্ণালী কলিতা

সমাজ তথা ৰাজ্য বা দেশৰ উন্নতিৰ মূল চাবি কাঠি হ'ল শিক্ষা। সমাজৰ উন্নতি হ'লে ৰাজ্যৰ উন্নতি হ'ব আৰু ৰাজ্যৰ উন্নতিয়ে দেশৰ উন্নতি ঘটাব। এতিয়া কথা হ'ল এই উন্নতিৰ বাবে উপযুক্ত শিক্ষানুষ্ঠানৰ প্ৰয়োজন। শিক্ষানুষ্ঠান এনেকুৱা হ'ব লাগে যাৰ দ্বাৰা প্ৰতিজন শিক্ষাৰ্থী শিক্ষাবিষয়ত প্ৰয়োজনীয় সকলো খিনি সুবিধা লাভ কৰিব পাৰে, যাৰ দ্বাৰা শিক্ষাৰ বিকাশ সাধন হয়।

অসমৰ জিলাসমূহৰ ভিতৰত গোৱালপাৰা জিলাতো কেইবাখনো শিক্ষানুষ্ঠান আছে। তাৰ ভিতৰত এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হ'ল- 'বিকালী মহাবিদ্যালয়'। ১৯৮২ চনত স্থাপন হোৱা এই মহাবিদ্যালয় খনে আজিলৈকে বহুত ব্যক্তিক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিছে।

এইখন মহাবিদ্যালয়তে যোৱা দুবছৰ ধৰি স্নাতকোত্তৰ 'অসমীয়া বিভাগ'ত শিক্ষা গ্ৰহণ কৰি আছো। চাওঁতে চাওঁতে দুবছৰ কেনেদৰে পাৰ হ'ল গমেই নাপালো। যোৱা দুবছৰ ধৰি মই মহাবিদ্যালয়খনত অধ্যয়ন কৰিলোঁ। সঁচা কথা কবলৈ গ'লে প্ৰথমে মোৰ এই মহাবিদ্যালয়খনলৈ গৈ অলপো ভাল লগা নাছিল। কিয়নো ছাৰ-বাইদেউ সকলৰ শাসনত নিজকে অস্থিৰ যেন অনুভৱ কৰিছিলোঁ। যিহেতু আগতে এৰি অহা শিক্ষানুষ্ঠান সমূহত এনেধৰণৰ অভিজ্ঞতা নাছিল। কিন্তু লাহে লাহে যেন সেই শাসন ভাল লগা হ'ল। সেই শাসনৰ আঁৰত লুকাই থকা ছাৰ-বাইদেউ সকলৰ মৰম তথা সেই শাসনৰ ফলত আমাৰ শিক্ষাত হোৱা উপকাৰৰ বিষয়ে বুজিব পাৰিছিলো। নিজকে অলপ হ'লেও দায়িত্বশীল যেন অনুভৱ কৰিছিলোঁ।

এনেদৰে তিনিটা ষাম্মাসিক গ'ল আৰু এদিন ছাৰ- বাইদেউ সকলে আমাক বিদায় দিম বুলি ক'লে। মনতে ভাবিলো শেষ লিখা-পঢ়া, এতিয়া আৰু মুক্তি পাম। বিদায়ৰ দিনা গ'লো কলেজত, গৈ দেখিলো বিদায় দিয়া শ্ৰেণীকোঠাটো ফুল- ধুপ-ধুনাৰে সুসজ্জিত কৰিছে। ওপৰত লিখি দিছে 'বিদায় সভা'। 'বিদায়' শব্দটো দেখি মনটো ইমান দুখেৰে ভৰি পৰিছিল তাক হয়তো কলমেৰে লিখি প্ৰকাশ কৰিব নোৱাৰোঁ। মনত এনেকুৱা ভাব আহিছিল যে- সঁচাই আৰু এইখন কলেজলৈ আহিব নাপাম নেকি? সঁচাকৈ আমি বিদায় ল'ব লাগিব নেকি?

তেনেদৰে দুখ মনেৰে সভাত বহিলো আৰু ছাৰ-বাইদেউ তথা ভাইটি- ভণ্টী সকলৰ উপদেশ আৰু মৌ পৰশা কথাবোৰ শুনিলোঁ। শেষত আমাক ভাষণ দিব ক'লে- বাকীবোৰৰ দৰে ময়ো গ'লো। ভাবিছিলো হিয়া উজাৰি মনৰ কথা কম কিন্তু লাজে ভয়ে দুষাৰ কৈয়ে গুচি আহিলো। এনেদৰে আমি সঁচাকৈ বিদায় ল'লো বিকালী মহাবিদ্যালয়ৰ পৰা।

মহাবিদ্যালয়খন সঁচাকৈ অতি ধুনীয়া। বিশেষকৈ শিক্ষাৰ এটা উপযুক্ত পৰিৱেশ তাত আছে। ছাৰ-বাইদেউ সকলে ছাত্ৰ-ছাত্ৰীসকলক যেনেদৰে শিক্ষাদান আৰু গুৰুত্ব দিয়ে সেয়া সঁচাকৈ প্ৰশংসনীয়। উপযুক্ত শ্ৰেণীকোঠা, পুথিভঁৰাল আদিকে ধৰি সকলো শিক্ষাত প্ৰয়োজনীয় সুবিধা মহাবিদ্যালয়খনত আছে। সঁচাকৈ 'বিকালী মহাবিদ্যালয় জ্ঞানৰ আলয়, তোমাৰ পোহৰ যেন আকাশত থকা সৌ চন্দ্ৰটোৰ দৰে, তুমি যেন ফুলনিত থকা এপাহ ফুল যিয়ে শিক্ষাৰ সুবাস বিলাই যায়।'

শেষত বিকালী মহাবিদ্যালয়ৰ প্ৰতি অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ কলম ইমানতে এৰিলো।

●●●

# অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ

মহিমাময়ী ৰায়

সাহিত্য জগতত চুটিগল্পৰ প্ৰকৃত বিকাশ ঘটে ঊনৈশ শতিকাৰ দ্বিতীয় দশক মানৰ পৰা। আচলতে সাধুকথাৰ যুগৰ পৰাই কাহিনী কথকতাৰ ধাৰা আৰম্ভ হৈছে যদিও চুটিগল্প কিন্তু সেই ধাৰাৰ কথকতাৰ কলা যাৰ প্ৰসঙ্গত Chambers Enclopedia ত কোৱা হৈছে Consciouly contrived pieces of writting বুলি।

ওঠৰ শতিকাৰ পদাৰ্থ আৰু জীৱবিজ্ঞানৰ উন্নতিৰ লগে লগে সাহিত্যিক সকলৰ মানসভংগীৰো পৰিৱৰ্তন হ'ল, আৰু ইয়াৰ সম্যক পৰিচয় প্ৰকাশ পালে উপন্যাস সমূহত। ব্যক্তি মানুহৰ জীৱনক এক অনন্ত সম্ভাৱনাৰ প্ৰেক্ষাপটত থিয় কৰাই ওঠৰ আৰু ঊনৈশ শতিকাৰ ঔপন্যাসিক সকলে মানৱ জীৱনৰ জটিলতাৰ গ্ৰন্থি মোচন কৰিবলৈ চেষ্টা কৰিলে। উপন্যাসত ফুটি উঠিল সেই সময়ৰ ক্ষত- বিক্ষত, জিজ্ঞাসা জৰ্জৰ সমগ্ৰ মানৱ চিত্ৰ। যান্ত্ৰিক উন্নতিৰ অন্তৰালত অন্তঃসাৰ শূণ্য সমাজত ব্যক্তিৰ নিঃসঙ্গ চেতনাই অনন্য ৰূপত চুটিগল্পত প্ৰকাশ পালে। চুটিগল্পই আৰম্ভণিৰ পৰা বিচ্ছিন্ন চেতনাৰে উপন্যাসতকৈ সুকীয়া পথেৰে আগবাঢ়িছে।

আধুনিক মানুহৰ একাকীত্বৰ চিত্ৰ, নিৰ্মোহ জীৱন দৃষ্টি নতুন আঙ্গিকৰে চুটিগল্পই প্ৰকাশ কৰিবলৈ ললে। জাৰ্মানী, ফ্ৰান্স, আমেৰিকাত আধুনিক জীৱন চেতনাৰে কাহিনীমূলক গল্পলেখকৰ প্ৰয়াস আৰম্ভ হ'ল যদিও ৰাছিয়ান লেখক গোগলেহে সাৰ্থক ৰূপত আধুনিক মানুহৰ জীৱন চিত্ৰ প্ৰস্ফুটিত কৰি তুলিলে তেওঁৰ অমৰ সৃষ্টি 'ওভাৰকোট'ত। এজন সাধাৰণ কেৰাণীৰ অসহায়তাৰ মাজত মূৰ্ত হৈ উঠিল আধুনিক মানুহৰ জীৱনৰ কৰুণতা। সাধাৰণতে চকুত নপৰা মানুহক এনেদৰেই গোগলে তেওঁৰ গল্পৰ মাজত স্পষ্টতৰ কৰি তুলিলে লগতে নতুন গল্পকাৰসকলৰ বাবে তেওঁ দি গ'ল চুটিগল্পৰ অনুপম আদৰ্শ। গোগলৰ এই আদৰ্শ আৰু বেছি প্ৰোজ্বল কৰি তুলিলে তেওঁৰ পৰৱৰ্তী গল্পকাৰ মোপাঁচা, চেকভ আদিয়ে।

আংগিকৰ ক্ষেত্ৰতো চুটিগল্পই নিজৰ স্বকীয় ৰূপৰ কথা ঘোষণা কৰিলে আমেৰিকাৰ প্ৰখ্যাত গল্পকাৰৰ গল্পত। এইক্ষেত্ৰত এডগাৰ এলান পোৰ গল্প সম্পৰ্কীয় ধাৰণাই চুটিগল্পক এক নিৰ্দ্দিষ্ট গঢ় দিলে।

অসমীয়া চুটিগল্প সাহিত্যৰ প্ৰধান গুৰি ধৰোতা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ প্ৰথম চুটিগল্প 'সেউতী' যদিও সাৰ্থক চুটিগল্প নহয়, তেওঁৰ গল্পত আৰভিং আৰু পোৰ প্ৰভাৱ দেখা যায়। ৱাচিংটন আৰভিং এ যেনেকৈ জাৰ্মান আৰু নিজদেশৰ উপকথাৰ আলমতে চুটিগল্পৰ জুমুঠিটো তৈয়াৰ কৰি নতুনত্বৰ সঞ্চাৰ কৰিছিল তেনেকৈ বেজবৰুৱায়ো অসমৰ লোককথা বা উপকথাসমূহৰ আশ্ৰয়তে গল্প সাহিত্যৰ পাতনি মেলে আনকি এডগাৰ এলেন পোৰ গল্পৰ কাহিনী সৰ্বস্বতা, ভৌতিকতা, অতি প্ৰাকৃত আদিৰ সমাবেশ বেজবৰুৱাৰ গল্পতো লক্ষ্য কৰিব পাৰি।

বেজবৰুৱাৰ গল্পৰ মাজেদি বাস্তৱবাদী ধাৰাৰো প্ৰৱৰ্তন হৈছিল বাবেই তেখেতৰ গল্পত নৰনাৰীৰ প্ৰেম আৰু মানৱতাবাদে গুৰুত্বপূৰ্ণ স্থান পাইছিল। নাৰীমনৰ চিৰন্তন সত্য আৰু সৌন্দৰ্য প্ৰকাশ পাইছে 'ভদৰী', 'জয়ন্তী', 'পাটমুগী' আদি গল্পত। বেজবৰুৱাৰ পৰৱৰ্তী গল্পকাৰ শৰৎচন্দ্ৰ গোস্বামী। তেওঁৰে দুই এটা গল্পত টলষ্টয়ৰ ধৰ্মীয় বিনম্ৰতা আদৰ্শবাদিতা আদি বিৰিঙি ওলাইছে। তেওঁৰ 'ৰক্তবীজ' গল্পত টলষ্টয়ৰ 'এ স্পাৰ্ক নেগলেকটেড বাৰ্নচ দি হাউচ' গল্পৰ সাদৃশ্য দেখিবলৈ পোৱা যায়।

আৱাহন কাকত প্ৰকাশৰ লগে লগে এদল নতুন গল্পকাৰৰ সৃষ্টি হ'ল আৰু তেওঁলোকৰ গল্পত পাশ্চাত্য প্ৰভাৱৰ ৰেঙণি ফুটি ওলাল। এই যুগৰ গল্প জনপ্ৰিয় হৈ পৰিল তাৰ বিষয়বস্তু আৰু কলাকৌশলৰ নতুনত্বৰ কাৰণে।

ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত মোপাছাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায় লগতে মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ দেখা যায় 'জাৰৰ' গল্পত।

আৱাহন যুগৰ এজন শক্তিশালী লিখক হ'ল লক্ষ্মীধৰ শৰ্মা। তেওঁৰ গল্পত প্ৰেম প্ৰণয় আৰু জৈৱিক সমস্যা সমূহৰ ৰূপায়ণত মোপাছাৰ প্ৰকৃতিবাদী ধাৰাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তেনে কেইটামান গল্প হ'ল 'ছিৰাজ', 'ব্যৰ্থতাৰ দান'। 'ব্যৰ্থতাৰ দান' গল্পত নাৰী মনস্তত্বৰ বহুতো দিশ প্ৰতিফলিত হৈছে।

আন এগৰাকী গল্পকাৰ হ'ল নগেন্দ্ৰ নাৰায়ণ চৌধুৰী। তেওঁৰ ৰসায়ন গল্পত হৰ্থনৰ Hcidggar's Experiment গল্পৰ দুৰণিবটীয়া প্ৰভাৱ লক্ষ্য কৰিব পাৰি।

ডঃ হেম বৰুৱাৰ গল্পতো আধুনিক জীৱবিজ্ঞানৰ প্ৰভাৱ আৰু মনস্তাত্বিক বিশ্লেষণ দেখিবলৈ পোৱা যায়। তেৰোঁ অকপটভাৱে জৈৱিক কামনা- বাসনা সমূহ প্ৰকাশ কৰি সাহসী দৃষ্টিভংগী প্ৰকট কৰিছে। হলীৰাম ডেকাৰ গল্পতো এনে আধুনিক দৃষ্টিভঙ্গী জৈৱিক বাসনাৰ ৰূপায়ণৰ ক্ষেত্ৰ ত প্ৰকাশিত হৈ উঠিছে। মহীচন্দ্ৰ বৰাৰ গল্পত

আধুনিক সমাজ বাস্তৱতাৰ ধাৰাটো সৰল ৰূপত প্ৰকাশ হৈছে হাস্য-ব্যংগৰ যোগেদি।

আৱাহন যুগৰ পাছত ৰামধেনু যুগত অসমীয়া গল্প সাহিত্যত নতুনত্বৰ জোৱাৰ উঠে। যুদ্ধ পৰৱৰ্তী এই কালত সাহিত্যত প্ৰসাৰিত হ'ল এক জটিল দৃষ্টিভংগী। যুদ্ধই মানুহৰ বিশ্বাস আৰু আশা ভাঙি-চিঙি চুৰমাৰ কৰে তাৰ দানবীয় শক্তিৰে। মানৱতাৰ পতনত মানুহৰ মনত জন্ম হ'ল প্ৰবল নৈৰাশ্য আৰু কাৰুণ্য।

যুদ্ধৰ পৰৱৰ্তী কালত অৰ্থনৈতিক সমতাৰ বাবে যি শ্ৰেণী দ্বন্দ উপস্থিত হ'ল তাক গতি দিলে মাৰ্ক্সীয় চিন্তাৰ বিকাশে। শ্ৰেণীহীন শোষণহীন সমাজৰ স্বপ্নত আকুল সাহিত্যিক সকলে মাৰ্ক্সীয় মাৰ্গত যেন ইয়াৰ সন্ধান পালে।

এই সময়ত আন এক প্ৰভাৱ আহিল ফ্ৰয়দীয় তত্ত্বৰ পৰা। এই তত্ত্বৰ আলমত মানুহৰ মনৰ নিজ্ঞান স্তৰলৈ গৈ লেখকসকলে নানা ধৰণৰ ৰহস্যৰ লীলাখেলা প্ৰত্যক্ষ কৰিলে। সাহিত্যৰ কলা কৌশলকো এই তত্ত্বই বিশেষ ধৰণে প্ৰভাৱিত কৰিলে। এই তত্ত্বৰ আলমত গল্পৰ কথন ৰীতিলৈ চেতনাস্ৰোত ধাৰাৰ সমাগম ঘটিল।

যুদ্ধোত্তৰ যুগৰ ক্ষেত্ৰত চৈয়দ আব্দুল মালিকৰ গল্পত মাৰ্ক্সীয় আৰু ফ্ৰয়দীয় চিন্তাৰ যুগপৎ প্ৰকাশ ঘটিছে। সময়ে সময়ে মাৰ্ক্সীয় বিপ্লৱৰ উষ্মা উচ্ছ্বাসত পৰিণত হৈছে যদিও বিপ্লৱবাদৰ প্ৰতি লেখকৰ আস্থা প্ৰকাশ পাইছে। যৌন মনস্তত্বৰ ভিন্ন ভিন্ন চিত্ৰ সাহসিকতাৰে তেওঁ গল্পত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। এই ধৰণৰ গল্পবোৰত ফ্ৰয়দীয় চিন্তাৰ ছাপ স্পষ্ট হৈ উঠিছে। অৱচেতন মনৰ লীলা-খেলা প্ৰকাশতো মালিকে পটুতা দেখুৱাইছে। যৌন অভিসাৰে মানুহৰ মানসিকতাক কেনেকৈ স্পৰ্শ কৰে তাকে ফ্ৰয়দীয় চিন্তাৰ আলমত দাঙি ধৰিবলৈ চেষ্টা কৰিছে 'বীভৎস বেদনা' আদি গল্পত।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পতো মাৰ্ক্সীয় আৰু ফ্ৰয়দীয় চিন্তাৰ যুগপৎ প্ৰকাশ ঘটিছে। ফ্ৰয়দীয় যৌন চেতনাৰ ধাৰণা প্ৰকাশি উঠিছে 'মাকণৰ গোসাই', 'শলিতা মামী' গল্পত। 'কলং আজিও বয়' গল্পত স্বৰাজোত্তৰ কালৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ চিত্ৰ প্ৰকাশ কৰাৰ লগতে মাৰ্ক্সীয় চিন্তা আৰু বিপ্লৱবাদৰ কথা প্ৰকাশ পাইছে। হোমেন বৰগোহাঞিৰ গল্পতো মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ অতি স্পষ্ট ৰূপত প্ৰকাশ পাইছে। যৌন মনস্তত্ব সম্বন্ধীয় আধুনিক চিন্তাৰ বিকাশ ঘটিছে 'পদা' আদি গল্পত। বৰগোহাঞিৰ গল্পতো অস্তিত্ববাদী প্ৰভাৱ লক্ষ্য কৰা যায়। যোগেশ দাসৰ গল্পতো আধুনিক ফ্ৰয়দীয় চিন্তাৰ প্ৰভাৱ সমুজ্জ্বল। ভবেন্দ্ৰ নাথ শইকীয়াৰ 'এন্দুৰ' গল্পত যৌন মনস্তত্বৰ এক বিচিত্ৰ ৰূপ প্ৰকাশ পাইছে।

অস্তিত্ববাদী ধাৰণা আৰু ফ্ৰয়দীয় চিন্তাৰ যুগপৎ প্ৰকাশ ঘটিছে সৌৰভ কুমাৰ চলিহাৰ গল্পত। আধুনিক বৈজ্ঞানিক চিন্তাৰ প্ৰভাৱৰ সমন্বয়ত অতি উৎকৃষ্ট গল্প লেখি অসমীয়া সাহিত্যত স্বকীয় স্থান অধিকাৰ কৰিছে চলিহাদেৱে। তেওঁৰ গল্পসমূহত চেতনাস্ৰোত ৰীতিও পৰিলক্ষিত হোৱা দেখা যায় তেনে গল্পসমূহ 'গোলাম', 'এহাত ডাবা' আৰু 'অশান্ত ইলেকট্ৰন'।

গোবিন্দ প্ৰসাদ শৰ্মাই যৌন মানসিকতাক আধুনিক ৰূপ দিয়াৰ লগতে মনস্তাত্বিক বৈচিত্ৰ্য গল্পত প্ৰস্ফুটিত কৰি তুলিব বিচাৰে কিন্তু সি সদায় আবেদনপূৰ্ণ হোৱা নাই। মাৰ্ক্সীয় চিন্তাৰ সুষম প্ৰকাশত অপূৰ্ব শৰ্মাই এই সময়তে বিশেষ কুশলতা প্ৰদৰ্শন কৰিছে। মাৰ্ক্সীয় চিন্তাৰ প্ৰভাৱত এই সময়তে অৰুণ গোস্বামীয়েও কেইবাটাও সাৰ্থক গল্প ৰচনা কৰা দেখিবলৈ পোৱা যায়।

সাম্প্ৰতিক কালত উত্তৰ আধুনিকতাৰ প্ৰভাৱপুষ্ট হৈ দেৱব্ৰত দাস, ফণীন্দ্ৰ নাথ দেৱচৌধুৰী আদিয়ে গল্প লিখিবলৈ আৰম্ভ কৰিছে যদিও সেই প্ৰয়াস সাৰ্থক হোৱা বুলি ক'ব নোৱাৰি। তথাপি আধুনিক জীৱন চেতনা প্ৰকাশৰ এই লেখক সকলৰ উপৰিও পৰাগ কুমাৰ ভট্টাচাৰ্য, পৰমানন্দ ৰাজবংশী, মনোজ গোস্বামী, কুমুদ গোস্বামী আদিয়ে বিশেষ কুশলতা দেখুৱাইছে।

এই সময়ছোৱাত গল্পকথন ৰীতিৰ আমূল পৰিৱৰ্তনে দেখা দিয়ে। গল্পৰ ভাষা শাণিত তীক্ষ্ণ হৈ পৰে আৰু শ্লেষ ব্যঙ্গ উপমা আদিৰ প্ৰয়োগ লক্ষণীয় হৈ উঠে। মোপাঁচাৰ চমকপ্ৰদ বৰ্ণনা ৰীতিৰ প্ৰতি প্ৰায়ভাগ লেখক সচেষ্ট হৈ পৰা দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত ব্যতিক্ৰম যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদি। আনহাতে ও হেনৰিৰ ব্যঙ্গ আৰু চমকপ্ৰদ সমাপ্তিৰ প্ৰতি ভবেন্দ্ৰনাথ শইকীয়া আদি গল্পকাৰ আকৰ্ষিত হৈ পৰে। চেকভৰ ৰচনা ভংগীয়েও এই সময়ত লেখক সকলক বিশেষভাৱে প্ৰভাৱিত কৰে।

বৰ্ণনা ৰীতিৰ ক্ষেত্ৰত চেতনাস্ৰোতৰ ধাৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞি, নগেন শইকীয়া আদিৰ গল্পত স্পষ্ট হৈ উঠে যদিও এই যুগৰ লেখক সৌৰভ কুমাৰৰ হাতত ই অভিনৱ ৰূপখণ্ডিত হৈ উঠে। মনৰ গভীৰতম প্ৰদেশত চলিহাৰ চিন্তা ভাবনাৰ লীলাখেলাৰ এক মনোগ্ৰাহী ৰূপ দাঙি ধৰিছে 'এহাত ডাবা' আদি গল্পত সুন্দৰ শৈলীৰ নিৰ্মাণৰ জৰিয়তে। অৱশ্যে সাম্প্ৰতিক কালত চেতনাস্ৰোত ৰীতিৰ প্ৰতি লেখকসকলে আস্থা হেৰুৱাই পেলাইছে। তথাপিও অসমীয়া আধুনিক কেবাজনো গল্পকাৰৰ মাজত এই চেতনাস্ৰোত ৰীতিৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক কালৰ বিশ্বৰ অন্যান্য গল্পৰ পৰিপ্ৰেক্ষিতত অসমীয়া গল্পত খুব কমেই পৰীক্ষা নিৰীক্ষা হৈছে। তথাপি সেই গল্পবোৰৰ প্ৰভাৱত অসমীয়া গল্পকাৰ সকলেও গল্প লেখাৰ প্ৰয়াস কৰিছে। সি সদায় সফল কাম নহলেও অসমীয়া গল্পক বৰ্ণাঢ্য কৰি তোলাত এই প্ৰভাৱবোৰে বিশেষ অৰিহণা যোগাইছে বুলি স্বীকাৰ কৰিব লাগিব।

●●●

# ৰাংছাপাৰা ঃ অসমৰ প্ৰথম স্বচ্ছ গাওঁ

সোণপাহী ইছলাম

স্বচ্ছতা পৰিৱেশৰ এক উপাদান। তাৰেই প্ৰমাণ যেন ৰাংছাপাৰা। ৰাংছাপাৰা অসমৰ সকলোতকৈ অধিক পৰিষ্কাৰ গাঁওৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ কাৰণে ই অতি গৌৰৱৰ বিষয়।

গুৱাহাটীৰ পৰা প্ৰায় ১৫০ কি.মি দূৰত অৱস্থিত গোৱালপাৰা জিলাৰ বালিজানা ব্লকৰ অন্তৰ্গত ৰাংছাপাৰা নামৰ গাঁওখনত ৮৮ টা পৰিয়াল আছে। ইয়াৰ জনসংখ্যা মাত্ৰ ৫০০ জন। কিন্তু এইখিনি জনসাধাৰণে মিলি যি সুখ্যাতি কঢ়িয়াইছে, ইয়াক এক বিজয়গাঁথা বুলিয়েই ক'ব পাৰি।

বৰ্তমান ভাৰতবৰ্ষত 'স্বচ্ছ ভাৰত অভিযান' চলি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো মঞ্চতে ইয়াৰ সংবাদ দিয়ে। কিন্তু ৰাংছাপাৰাৰ লোকসকলে এই স্বচ্ছতাক ২৭ বছৰ আগেয়ে যেন জীৱনৰ মূলমন্ত্ৰ হিচাপে লৈছিল আৰু তাৰেই ফলস্বৰূপে ৰাংছাপাৰাই স্বীকৃতি পালে অসমৰ প্ৰথম স্বচ্ছ গাঁও ৰূপে। কিন্তু এই সফলতা এনেয়ে ৰাংছাপাৰা গাঁৱৰ গাঁওবাসীয়ে পোৱা নাই। অতি মাত্ৰা কষ্ট আৰু পৰিশ্ৰম কৰা এই লোকসকলৰ মনত ইমান শলাগ ল'বলগীয়া চেতনা ক'ৰ পৰা আহিল ? ইয়াৰ কাৰণে আমি ১৯৯০ চনলৈ উভতি যাব লাগিব। গাঁওখনৰ গাঁওবুঢ়া ৰবাৰ্ট মোমিনে কয় যে বেলেগ গাঁওবোৰৰ দৰে তেওঁলোকৰ গাঁওখনো এটা সময়ত আৱৰ্জনাৰে ভৰি আছিল; মানুহবোৰ মদৰ ৰাগীত মতলীয়া আছিল; হাই-উৰুমি, কাজিয়া পেচালত লিপ্ত আছিল। এই সকলোবোৰ চাই এদিন সকলো গাঁওবাসীয়ে লগ হৈ পণ কৰিলে যে এই পৰিস্থিতি যেন শুধৰাবৰ সময় হ'ল।

গাঁৱৰ সকলো মিলি এখন বৈঠক পাতিলে। আৰু তাত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। যেনে - গাঁওবাসীয়ে যাতে গাঁওখনত কোনো ধৰণৰ আৱৰ্জনা নেপেলায়। দ্বিতীয়তে মুকলিভাৱে যাতে কোনোৱে শৌচ—প্ৰস্ৰাব নকৰে; আৰু তৃতীয়তে গাঁৱৰ কোনো লোকে যাতে নিচাযুক্ত দ্ৰব্য সেৱন নকৰে। এই নিয়ম ভংগ কৰিলে ৫০০১ টকা জৰিমনা বিহা হ'ব বুলি ঘোষণা কৰিলে। সেই সময়ৰ সমাজ ব্যৱস্থাত খাটি খোৱা লোকৰ বাবে ৫০০১ টকাৰ এলাপেচা মূল্য নাছিল। কিন্তু গাঁওখনৰ গাঁওবুঢ়া মোমিনৰ মতে ৫০০১ টকা জৰিমনা বিহাৰ কাৰণ হ'ল গাওঁখনৰ কোনো লোকে যাতে এই নিয়ম উলংঘন নকৰে। কিন্তু এইক্ষেত্ৰ ত গাঁওবাসীয়ে সম্পূৰ্ণৰূপে সহায়ৰ হাত আগবঢ়ালে যাৰ দ্বাৰা গাঁওবাসীয়ে কেতিয়াও এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা নহ'ল।

২০০১ চনত এখন "Village Management Committee" বনোৱা হৈছিল। তাত দহজন সদস্য অৰ্ন্তভুক্ত কৰা হৈছিল। কমিটিখনৰ সদস্য সকলক গাওঁবাসীয়ে লগ হৈ বাচনি কৰিছিল। এই কমিটিৰ সদস্যসকলৰ প্ৰধান কাম আছিল গাঁওখনত পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু ভ্ৰাতৃত্ববোধ বজাই ৰখা।

বালিজানা ব্লকৰ প্ৰধান ৰত্নাদেৱীয়ে কয় যে, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া 'স্বচ্ছ ভাৰত অভিযান'ৰ শুনানি কৰিছিল, এই ক্ষেত্ৰ ত অতিশয় আনন্দিত হৈছিল ৰাংছাপাৰাৰ লোকসকল। মুক্ত শৌচালয়ৰ ক্ষেত্ৰত তেওঁ কয় যে এওঁলোক সকলোৱে নিজৰ কষ্টেৰে প্ৰথমে কেঁচা শৌচালয় বনাইছিল। চৰকাৰী যোজনাৰ দ্বাৰা এতিয়া প্ৰত্যেকৰে ঘৰে ঘৰে পকী শৌচালয় স্থাপন কৰা হৈছে। আৰু অতি সোনকালে পকী ৰাস্তাৰ কামো আৰম্ভ কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। ইয়াৰ বাবে চৰকাৰৰ বাজেট মঞ্জুৰ হৈ গৈছে।

য়ুনিচেফৰ স্বচ্ছতা কাৰ্যকৰ্মৰ প্ৰধান তুষাৰ ৰাণে কৈছে যে এইবছৰ অক্টোবৰৰ ভিতৰত গোটেই ৰাজ্যতে মুক্ত শৌচালয় বন্ধ কৰিব। এইক্ষেত্ৰ ত য়ুনিচেফে বেচৰকাৰী সংগঠনবোৰৰ মাধ্যমত গাঁৱে গাঁৱে গৈ স্বচ্ছতাৰ প্ৰতি মানুহক জাগ্ৰত কৰাৰ চেষ্টা কৰি আছে আৰু পকী শৌচালয় নিৰ্মাণ কৰাৰ ক্ষেত্ৰ তো সহায় কৰিছে।

ৰাংছাপাৰাৰ লোকসকল গাৰো জনজাতিৰ লোক। গাৰো জনজাতিৰ লোক হোৱা হেতুকে তেওঁলোকৰ গাঁওখনত ১৮৭০ চনত মিছনেৰিসকলে প্ৰতিষ্ঠা কৰা পুৰণি গীৰ্জা ঘৰ এটা আছে। এই গীৰ্জা ঘৰটোৰ চোৱা চিতা কৰাৰ দায়িত্ব গাওঁবাসীৰ। গীৰ্জা ঘৰৰ লগতে এটি বাঁহ আৰু খেৰেৰে নিৰ্মিত ওখ চাংঘৰ আছে। গীৰ্জাঘৰৰ সন্মুখত তেওঁলোকৰ এটা অফিচ আছে য'ত তেওঁলোকে চৰকাৰৰ পৰা পোৱা সকলোখিনি পুৰস্কাৰ আৰু নথিপত্ৰ সেই অফিচটোতেই সংগ্ৰহ কৰি থৈছে।

সামৰণিত ক'ব পাৰি যে ৰাংছাপাৰাৰ এই আদৰ্শ যেন ভাৰতবৰ্ষৰ সকলো অঞ্চলৰ লোকেই গ্ৰহণ কৰে তাৰেই কামনাৰে কলম এৰিছো।

●●●

'আমি সকলোৱে এদিন বুঢ়া হ'ম, আমি সকলোৱেই এদিন আনৰ ওপৰত বোজা হ'ম। ... জীয়াই থকা মানুহবোৰে মৰাবোৰক এনেভাৱে বিদায় দিয়া উচিৎ যেন তেওঁলোকৰ কোনেও এই পৃথিৱীখনক এখন নৰক বা এই জীৱনটোক এটা অভিশাপ বুলি ভাবি পৃথিৱীৰ পৰা শেষ মেলানি মাগিব লগা নহয়।'

'অস্তৰাগ' উপন্যাসত

-হোমেন বৰগোহাঞি

# উমাকান্ত শৰ্মাৰ উপন্যাসত গাৰো সমাজ জীৱনৰ চিত্ৰ

ইমৰাণ হুছেইন

অসমীয়া উপন্যাস সাহিত্যৰ গৌৰৱোজ্জ্বল পথ পৰিক্ৰমাত বৈশিষ্ট্যপূৰ্ণ ৰূপ ৰস আৰু বিষয় মহত্বৰে নিজৰ আসন সুদৃঢ় কৰি যোৱা ঔপন্যাসিক সকলৰ ভিতৰত 'আৱাহন' যুগৰ বিশিষ্ট গল্পকাৰ উমাকান্ত শৰ্মা অন্যতম। পশুপতি ভৰদ্বাজ ছদ্মনামেৰে ঔপন্যাসিক জীৱনৰ পাতনি মেলা শৰ্মাদেৱৰ প্ৰথম উপন্যাস 'উৰন্ত মেঘৰ ছাঁ' প্ৰকাশ হয় ১৯৪৭ চনত। একে ছদ্মনামেৰে দ্বিতীয়খন উপন্যাস 'ছিমছাঙৰ দুটা পাৰ' প্ৰকাশ পায় ১৯৬৫ চনত। আৰু ১৯৬৮ চনত প্ৰকাশ পায় তৃতীয়খন উপন্যাস 'ৰঙা ৰঙা তেজ'। 'এজাক মানুহ এখন অৰণ্য' (১৯৮৫) 'ভাৰশু পক্ষীৰ জাক' (১৯৯২) আৰু কাজলীৰ ৰোগ (২০০১)। উমাকান্ত শৰ্মাৰ স্ব নামেৰে ৰচনা কৰা তিনিখন উপন্যাস। বিংশ শতিকাৰ ষাঠি দশকৰ পৰা এক বিংশ শতিকাৰ প্ৰাৰম্ভিক দশকলৈ এলানি উপন্যাস ৰচনা কৰি দৰ্শনৰ অধ্যাপক উমাকান্ত শৰ্মাই নিজৰ নাম অসমীয়া সাহিত্যত স্থায়ীভাৱে ৰাখি যোৱাই নহয় অসমীয়া পঢ়ুৱৈক উপন্যাসৰ এক নতুন স্বাদ দি যায়।

ভাৰতত বাস কৰা বিভিন্ন জনজাতি সমূহৰ ভিতৰত এক প্ৰধান জনজাতি হৈছে গাৰোসকল। ঔপন্যাসিক উমাকান্ত শৰ্মাৰ 'ছিমছাঙৰ দুটা পাৰ' উপন্যাস খন গাৰো সমাজ জীৱনৰ পটভূমিত ৰচিত উপন্যাস। উপন্যাসখনত গাৰো সমাজ জীৱনৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক দিশ প্ৰতিফলিত হৈছে।

গাৰো সমাজৰ নিয়ম অনুসৰি পেহীয়েকৰ লৰাই মোমায়েকৰ ছোৱালী বিয়া কৰোৱাৰ যি চিৰাচৰিত প্ৰথা সেই প্ৰথা অনুসৰিয়েই উপন্যাসখনৰ প্ৰধান চৰিত্ৰ চিত্ৰামনিৰ পেহীয়েকৰ লৰা হিনোইৰ লগত বিয়া ঠিক কৰি থৈছে। সেয়েহে চিত্ৰাই হিনোইক ভাল নাপাইছিল যদিও তাই কিন্তু আপত্তি কৰিব পৰা নাছিল। চিত্ৰাই নিজেও জানিছিল, তাইৰ বিয়া হিনোইৰ লগত হ'ব। হিনোই চিত্ৰাৰ নিজ পেহীয়েকৰ লৰা। গতিকে সেইফালৰ পৰা যোটন উৎকৃষ্ট।

চিত্ৰাৰ পিতৃ ডেভিদছেনেও জানিছিল যে হিনোইৰ প্ৰতি চিত্ৰাৰ অনুৰাগ নাই। তাইৰ কুৰ্ণোৰ প্ৰতিহে অনুৰাগ। কুৰ্ণোৰ লগত তাইক বিয়া দিব পাৰিলে তেওঁ নিজেও সুখী হ'লহেতেন। কিন্তু গাৰো সমাজৰ নিয়ম অনুসৰি সগোত্ৰ বিবাহ নিষিদ্ধ। সেয়েহে তেওঁ কুৰ্ণোলৈ চিত্ৰাক বিয়া দিয়াৰ কথা ভাবিব নোৱাৰে।

"চিত্ৰাক বিয়া কৰাবলৈ হিনোইৰ অধিকাৰ আছে। আৰু হিনোইৰ লগত তাইৰ বিয়া নহ'লে, তেওঁৰ ভনীয়েকহঁতৰ লগত তেওঁ চিৰদিনৰ বাবে শত্ৰু হব। সমাজৰ মানুহেও তেওঁক ভাল চকুৰে নাচাব। তথাপি তেওঁ সকলো আওকাণ কৰি কুৰ্ণোৰ লগতে তাইক বিয়া দিলেহেঁতেন। অথচ ই একেবাৰে অসম্ভৱ হৈ পৰিছে। কুৰ্ণোৰ মুখলৈ চালে তেওঁৰ ইচ্ছা হয় তেওঁ যেন সকলো পাহৰি যাব যে কুৰ্ণো ছাংমা; কেৱল ছাংমাই নহয় অহিটোক ছাংমা। তেওঁৰ নিজৰ বংশৰে ছাংমা।"

গাৰো সমাজত 'নোখ্ৰম' বিয়া অনুসৰি জোৱাই শহুৰেকৰ ঘৰৰ সদস্যহৈ পৰে আৰু সম্পত্তিৰো উত্তৰাধিকাৰী হয়। সেই পৰম্পৰাৰ উল্লেখ আলোচ্য উপন্যাসখনত আছে। কুৰ্ণোৰ ককাক পানছেং আৰাঙ গাবিন বংশৰ মোমিন পৰিয়ালৰ অৰ্ন্তভুক্ত হয়। সেইদৰে কুৰ্ণোৰ দেউতাকেও ছাংমা পৰিয়ালৰ ছোৱালী বিয়া কৰোৱা বাবেই কুৰ্ণো অহিটোক ছাংমা হৈ পৰে।

সেইদৰে শহুৰেকৰ মৃত্যু হ'লে যে ঘৰজোৱায়ে সম্পত্তিৰ আশাত শাহুৱেকক বিয়া কৰোৱা যি ৰীতি সেয়া আলোচ্য উপন্যাসত প্ৰতিফলিত হোৱা দেখা যায়।

"কুৰ্ণোৰ ককা দেউতাক আছিল গানছেং আৰেং। গানছো খৃষ্টান নাছিল। গানছেঙে বিয়া কৰাইছিল মোমিন পৰিয়ালত। গাবিন বংশৰ মোমিন পৰিয়ালত। বিয়াৰ পাছত তেওঁ 'নক্‌খ্ৰম' হৈ মোমিন পৰিয়াললৈ গুছি গ'ল। তেওঁ বিয়া কৰোৱা ছোৱালীজনী তেওঁৰ মোমায়েকৰ ছোৱালী। ইতিমধ্যে তেওঁৰ মোমায়েক ঢুকাল আৰু গানছেঙে গাৰো ৰীতি অনুসৰি তেওঁৰ শাহুৱেকক বিয়া কৰালে। তেওঁৰ শাহুৱেকৰ গৰ্ভত জন্ম হ'ল চেংমে মোমিন। চেংমে কুৰ্ণোৰ দেউতাক। চেংমে বিয়া কৰাইছিল ছাংমা পৰিয়ালত। কুৰ্ণোৰ মাকহঁত অহিটোক ছাংমা। গতিকে কুৰ্ণো

অহিটোক ছাংমা বংশৰ লৰা। কুৰ্মোৰ দেউতাকে প্ৰথমে খৃষ্টধৰ্ম গ্ৰহণ কৰে। তাৰ পিছৰে পৰা কুৰ্মোহতৰ পৰিয়াল খৃষ্টান।"

গাৰো সকলৰ সমাজ কৃষিজীৱি।

তেওঁলোকৰ প্ৰধান কৃষিভিত্তিক উৎসৱ হ'ল -'ওৱান-গালা'। খেতি চপোৱাৰ পিছত এই উৎসৱ পতা হয়। উপন্যাস খনত প্ৰধানভাৱে ধান খেতি কৰাৰ উল্লেখ পোৱা যায় যদিও ভৈয়ামৰ কৃষি পদ্ধতিৰ কপাহ, সৰিয়হ, আলু, কচু আদি শস্যৰ খেতি কৰাৰ কথাও উল্লেখ আছে। উদাহৰণস্বৰূপে- পাইকপাৰাৰ ৰঘুনাথ দালুৱে -

"খেতি আৰু ব্যৱসায় দুয়োটা একেলগে কৰে। তাৰ ম'হ এহাল, বলদ এহাল। বলদ হালেৰে সি চহ কৰে আৰু ম'হ হালেৰে গাড়ী টানে। দুপৰীয়ালৈ পথাৰত খেতি কৰি আবেলি সি গাড়ীখন লৈ ওলাই যায়। আলু, কচু, কপাহ, লাউ, বেঙেনা যেতিয়া যি পায় তাকে সি গাড়ীত বোজাই দি লৈ যায় আৰু অহাৰ সময়ত দোকানৰ বাবে নানা বস্তু লৈ আহে।" গাৰোসকলৰ কৃষিভিত্তিক উৎসৱ- পাৰ্বণৰো উল্লেখ উপন্যাসখনত পোৱা যায়। পথাৰৰ শস্যবোৰ কাটি আনি চপাব পাৰিলেই গাঁৱে গাঁৱে ঢোল বাজিব। ঢোলৰ ছেঁৱে ছেঁৱে ছোৱালীবোৰ নাচিব। মানুহৰ হাঁহিবোৰ জুৰিৰ পাৰলৈ উটি যাব।

গাৰোসকলৰ মাজত দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে হাহ- কুকুৰা, গাহৰী, ছাগলী, বলদ আদি বলি দিয়াৰ ব্যৱস্থা আছে। তদুপৰি গাৰোসকলে বিশ্বাস কৰে যে জুয়ে পোৰা মানুহক কুকুৰাৰ তেজেৰে চিকিৎসা কৰিলে আৰোগ্য হয়। উপন্যাসখনত পোৱা যায় ডোৱা যেতিয়া অগ্নিদগ্ধ হৈ চট্‌ফটাই আছে, তেতিয়া মানুহে তাইৰ গাত কুকুৰাৰ তেজ ঢালি আৰোগ্য কৰিব বিচাৰিছে। "এখন গাঁৱৰ মানুহে তাইৰ গাত কুকুৰাৰ তেজ ঢালি আৰোগ্য কৰিব বিচাৰিছে- 'এখন ঢাৰিৰ ওপৰত ডোৱা শুই আছে আৰু মানুহ বিলাকে কুকুৰা কাটি কুকুৰাৰ তেজ তাইৰ গাত দিব ধৰিছে।

ভৈয়ামৰ মানুহৰ সংস্পৰ্শলৈ অহাৰ পিছত গাৰোসকলৰ সাজ পাৰৰ বহু পৰিবৰ্তন ঘটা দেখা যায়। তিৰোতাবোৰে বুকুত 'ডোকাবান্দা' উপৰিও শাৰী পিন্ধিবলৈ লোৱাৰ উল্লেখ উপন্যাসখনত পোৱা যায়। চিত্ৰামনিৰ প্ৰসংগতে ঔপন্যাসিক উল্লেখ কৰিছে-

"চিত্ৰামনি ধুনীয়া। বিয়াৰ আগতে তাই ইমান অসম্ভৱ ধুনীয়া হৈ পৰিছিল যে স্কুলত তাইৰ মাষ্টৰেও তাইক ৰ' লাগি চাইছিল। গাঁৱত ফুৰোঁতে তাই প্ৰায়েই অকল ডাকাবান্দাখন বুকুত পিন্ধি ফুৰিছিল। মাজে মাজে তাই শাড়ী পিন্ধিছিল। তাইৰ মাত্ৰ এখন শাড়ী, কুহি কলপাতৰ বৰণৰ এখন শাড়ী।

সাধাৰণতে গাৰোসকলে মিছনাৰি সকলৰ প্ৰভাৱত খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। তাৰ বৰ্ণনাও আমি উপন্যাসখনত দেখিবলৈ পাওঁ। কাকৰ কান্দি গাঁৱৰ ডেভিদছনেই খৃষ্টান ধৰ্ম গ্ৰহণ কৰি গাঁৱৰ গীৰ্জাৰ পেষ্টৰ হৈছে। তদুপৰি খৃষ্টধৰ্মী আৰু চাংচাৰি দুয়ো ধৰ্মৰ মানুহেই যে গাৰো সমাজত সমিল মিলেৰে বাস কৰিছিল সেই কথাৰো প্ৰতিফলন আছে 'ছিমছাঙৰ দুটা পাৰ' উপন্যাসখনত। ডেভিদছনক লৈ সেই সমাজত বাস কৰা লোকসকলৰ ধাৰণা এনে-

"আটাই বিলাক গাঁৱৰ মানুহে তেওঁক শ্ৰদ্ধা কৰে। খৃষ্টানবিলাকে তেওঁক শ্ৰদ্ধা কৰে, কাৰণ তেওঁ গাঁৱৰ পেষ্টৰ, অনা খৃষ্টান বিলাকেও তেওঁক সন্মান আৰু শ্ৰদ্ধা কৰে, কাৰণ তেওঁ মানুহজন সৎ, শান্তিপ্ৰিয় আৰু পৰোপকাৰী।"

গাৰো গাওঁবোৰ বৰ পৰিশালিত আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন। উপন্যাসখনত বৰ্ণনা কৰা গাৰো গাওঁবিলাকো পৰিশালিত আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন। তেওঁলোকে খোৱা পানীৰ প্ৰতিও অতি সচেতন। তেওঁলোকে গাঁৱৰ ওচৰৰ জুৰিৰ পানী খায়। উপন্যাস খনত আছে-

"সিহঁতৰ গাঁৱৰ কাষেদি জুৰি এটা বৈ গৈছে। জুৰিৰ পানীকে গাঁৱখনৰ মানুহে ব্যৱহাৰ কৰে।"

উমাকান্ত শৰ্মাৰ 'ছিমছাঙৰ দুটা পাৰ' উপন্যাসখনৰ সমাজ এখন পৰিবৰ্তনমুখী গাৰো সমাজ। তেওঁলোকে পাহাৰৰ পৰা নামি আহি ভৈয়ামৰ বুকুত গাঁও পাতিছেহি। ভৈয়ামৰ মানুহৰ সংস্পৰ্শলৈ আহিয়েই সাজপাৰলৈ পৰিৱৰ্তন আহিছে। ভৈয়ামৰ কৃষি পদ্ধতিৰে খেতি কৰিবলৈ শিকিছে, আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছে। দোকান দি সংস্থাপন লোৱাৰ কথা চিন্তা কৰিছে, মনোজগতলৈ পৰিৱৰ্তন আহিছে।

পৰম্পৰাগত ভাৱধাৰাৰ পৰা ওলাই আহিব পাৰিছে বাবেই দস্যুদলৰ দ্বাৰা ধৰ্ষিতা যুৱতী চিত্ৰামনিক যেতিয়া হিনোইয়ে পত্নী হিচাপে গ্ৰহণ কৰিছে তেতিয়া ৰাইজে কোনো প্ৰতিবাদ কৰা নাই।

এইদৰে দেখা যায় যে দেশ বিভাজনৰ সময়ত নিৰ্যাতিত গাৰোসকলৰ মৰ্মান্তিক যন্ত্ৰণাৰ চিত্ৰ ণ কৰিবলৈ যাওঁতে মাজে মাজে গাৰো সমাজখনৰ এনেবোৰ সামাজিক আৰু সাংস্কৃতিক দিশৰ বাস্তৱসন্মত ছবিও উপন্যাসখনত মনোময়ভাৱে প্ৰকাশি উঠিছে।

●●●

# উজনি আৰু পশ্চিম অসমৰ বিয়ানাম ঃ এটি আলোকপাত

আল- কাৰিমা জেছমিন

বিয়া অসমীয়া লোকসংস্কৃতিৰ সামাজিক আচাৰ অনুষ্ঠানৰ অন্তৰ্ভুক্ত এক প্ৰাণময় আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান। বিয়া অনুষ্ঠানৰ আৰম্ভণি বহু পুৰণি। প্ৰবাদ আছে যে সমাজত পুৰুষ নাৰীৰ স্বেচ্ছাচাৰী তথা উচ্ছৃংখল যৌনমিলন ৰোধ কৰি সমাজক শৃংখলিত কৰাৰ উদ্দেশ্যে উদ্দালক ঋষিৰ পুত্ৰ শ্বেতকেতুৰেই হেনো ভাৰতীয় আৰ্য সমাজত পৱিত্ৰ বিবাহৰ নিয়ম কৰি সমাজৰ চৰিত্ৰ গঠনৰ সূচনা কৰে। শাস্ত্ৰৰ বিধিমতে ভাৰতৰ হিন্দু সমাজত আঠবিধ বিবাহৰ উল্লেখ আছে। - ব্ৰাহ্ম, দৈব, প্ৰাজাপত্য, গন্ধৰ্ব, অসুৰ, ৰাক্ষস আৰু পৈশাচি। এই আঠ প্ৰকাৰৰ বিয়াৰ ভিতৰত প্ৰাজাপত্য বিয়াৰ প্ৰচলন আৰু সমাদৰ সৰ্বজন স্বীকৃত।

পৰম্পৰাগত এই আনন্দময় আৰু পবিত্ৰ সামাজিক অনুষ্ঠানক কেন্দ্ৰ কৰি যিবোৰ গীত মাত পৰিৱেশন কৰা হয়, সেই গীতবোৰেই বিয়ানাম। এই গীতসমূহ অতীজৰে পৰা আয়তী সকলৰ মুখে মুখে চলি আহিছে আৰু এই গীতবোৰ যথেষ্ট অৰ্থব্যঞ্জক। অসমীয়া সমাজৰ প্ৰাকৃতিক আৰু সামাজিক চিত্ৰ এখন বিয়ানামবোৰত সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা যায়। বিয়ানাম সমূহত পৌৰাণিক আখ্যানৰ চৰিত্ৰ সমূহৰো প্ৰাধান্য দেখা যায়। বিভিন্ন বিয়ানামত দৰাক ৰাম, শিৱ, শ্ৰীকৃষ্ণৰ লগত আৰু কন্যাক ৰুক্মিণী, জানকী, গৌৰীৰ লগত তুলনা কৰি বিয়ানাম গোৱা হয়। বিয়ানামৰ এই বৈশিষ্ট্যসমূহ উজনি আৰু পশ্চিম অসমৰ বিয়ানামত বিৰাজমান। বিয়া এখনৰ আৰম্ভণিৰ পৰা শেষলৈকে কেইবাটাও মাঙ্গলিক পৰ্ব সমাধা কৰিব লাগে। প্ৰত্যেক পৰ্বৰ লগত ৰজিতা খোৱাকৈ বিয়ানাম গোৱা হয়।

বিয়াৰ আৰম্ভণি জোৰোণৰ দিনৰ পৰাই হয়। বিয়াৰ তিনিদিন বা এদিন আগতে জোৰোণ দিয়া নিয়ম। জোৰোণত সেন্দুৰ, ফণি, কাপোৰ, গহনা আদিৰ উপৰিও তামোল-পাণ, দৈ, মিঠাই ভাৰ কৰি কইনাৰ ঘৰলৈ লৈ অহা পৌৰাণিক ৰীতি। আজিকালি ভাৰ লৈ নগ'লেও এই সামগ্ৰীসমূহ কইনাৰ ঘৰলৈ নিয়াৰ প্ৰচলন আছে। সেয়েহে কামৰূপত জোৰণক 'তেলৰ ভাৰ' আৰু পশ্চিম অসমৰ কিছুমান অঞ্চলত 'কন্যাসিওৰা' বুলিও কয়। জোৰোণত অনা ভাৰক কেন্দ্ৰ কৰি গোৱা নাম হ'ল-

উজনি অসমত ঃ-

আগৰখন ভাৰতে কি কি আনিছা
ৰভাৰ তলত থোৱা,
আইদেউৰ ঘৰলৈ কি কাৰ্যে আহিছা
ৰাইজৰ আগত কোৱা।
কৈকেয়ী আহিছে, সুমিত্ৰা আহিছে
আহিছে ৰামৰে মাও,
জনকৰ জীয়ৰী জানকী সুন্দৰী
জোৰোণ পিন্ধাই আজি যাওঁ।

পশ্চিম অসমত ঃ-

বাৰশ হাড়িৰে তেৰশ কোদালৰে
সেই কোদালে ময়নাৰ মাল্লি বান্দেৰে,
মাল্লিৰে কিনাৰে যুঁতি মালতীৰ লতাৰে
তাৰ তলে ময়নাই জুৰিছে খেলাৰে।
সড়ক দিয়া যায়ৰে সদাগৰেৰ বেটাৰে
তায় দেখিয়া গেইল ময়নাক
খেলা খেলাইতেৰে
দৈ মাছেৰ ভাৰ ৰে বাটাই গুৱা পাণ ৰে
কিবা সজনে ময়নাৰ জোৰোণ আইলৰে।

বিয়া উপলক্ষে দৰা কইনাক তেল চৰোৱা কাৰ্য এৰাব নোৱৰা প্ৰথা। দৰা কইনাৰ মূৰত তেল দিয়া সময়ত আয়তীসকলে গায়-

উজনি অসমত ঃ-

ডালিম থিয় কৰি মূৰত তেলে দিবা
ঐ ৰাম সুগন্ধি মালতী হাতে হে

মুৰত তেল দিবা আশীৰ্বাদ কৰিবা
ঐ ৰাম সুমঙ্গল বসতি হওকহে।

পশ্চিম অঞ্চলত ঃ-

ৰাম বহা পীৰাখনি চাৰিওফালে
খুৰা
তাতে বহায় তেল চৰায় ৰামচন্দ্ৰ
ৰাজাক
এক হাতে তেল দে পাঞ্চ হাতে
ধৰে
দুবৰি আগে তেল দে ধৰে
গোসাইৰ আগে পৰে।

বিয়া হৈছে এক বৈদিক অনুষ্ঠান। সেয়েহে বিয়াৰ দিনা বৈদিক ৰীতি অনুসৰি শ্ৰাদ্ধ কাৰ্য সম্পাদন কৰি উপৰি পুৰুষক স্মৰণ কৰা হয়। শ্ৰাদ্ধ কাৰ্য সম্পাদন কৰিবলৈ ব্ৰাহ্মণ বা পুৰোহিতৰ উপস্থিতি অপৰিহাৰ্য। সেই সময়ত আয়তীসকলে বামুণক কটাক্ষ কৰি গায় -

উজনি অসমত ঃ-

বামুণদেউৰ জোলোঙাটি নুবুলিবা সৰু
চাউল ধৰে চৰু ধৰে আৰু ধৰে গৰু
খেদি নিলে খেদি নিলে বামণ
পৰিল খালত,
বামুণীয়ে কান্দি আছে ভাতচৰুৰ
চুকত।

পশ্চিম অসমত ঃ-

বামণ যায়ৰে বিয়াৰ বাৰী
বামণি বসি কান্দে
ওহে বামণ পাৰে পৰি
সেন্দুৰ আনেন মোৰে
টিকৰিৰ মতন কপালেৰ বামণি
সেন্দুৰেৰ আটোস কৰে
ঘৰে আছে আখাৰ মাটি
তাকে পিৰধান কৰো।

বিয়াত দৰা-কইনাক গা ধুৱাবলৈ নৈ, বিল, পুখুৰী, আদিৰ পৰা আয়তীসকলে জাত জাত নাম গাই পানী তুলি আনে। ফেহুজালি দিয়াৰ সময়ত তুলি অনা পানীক পবিত্ৰ বুলি গণ্য কৰা হয়। উজনি আৰু পশ্চিম অসমৰ পানীতোলা বিয়ানামত তাৰ আভাস এনেদৰে পোৱা যায়-

উজনি অসমত ঃ-

কুমাৰৰ টেকেলি
তোলে বালা মাটিৰ পানী হে
কি এ কাউৰী হাগিলা জলে
ইটো দোভাগ ৰাতি
কোনে পানী তোলে
কেনি কদম্বৰ তলে।

পশ্চিম অসমত ঃ-

ঘেচুই দিলা চালি উঠা বনমালী
ৰজনী প্ৰভাত হৈল
বনৰে হৰিণা বনতে লুকাইলা
পংখী দশোদিশ গৈল।
বজায় ঢাক ঢোল নিৰ্মল তবল .
অনেক বায়জন বাজে
ৰমণী যতেক সাগৰে যাবাক
নানান সাজন সাজে।

নৈ, পুখুৰীৰ পৰা তুলি অনা পানীক সেইদিনা গঙ্গাজলৰ দৰে পৱিত্ৰ বুলি ভবা হয় আৰু দৰা কইনাক সেই পানীৰে মাহ-হালধি সানি গা ধুৱাই দিয়া হয়। মাহ - হালধিৰ পৰশ লাগি দৰা কইনাৰ ৰূপ যেন দুগুণ বৃদ্ধি হয়। সেই ৰূপৰ বৰ্ণনা বিয়ানামত এইদৰে পোৱা যায়।

উজনি অসমত ঃ-

আইদেউ ধৰিলা উপবাসে থাকিলা
হালধি মাহে গা ধুই আইদেউ
ধুনীয়া হৈ পৰিলা।

পশ্চিম অসমত ঃ-

ডিগি দিলুং পুষকনি দিলুং
জল কেনে ঘোলা
আমাৰ বালি ৰতন জ্বলে
তোমাৰ বৰ কেনে কালা।

উল্লেখ কৰা হৈছে যে দৰাক ৰাম, শিৱ আদিৰ লগত তুলনা কৰা হয়। দৰা-কইনা ঘৰলৈ যাত্ৰা কৰা সময়ত শ্ৰীৰামে জানকীক বিয়া কৰাবলৈ মিথিলালৈ যাত্ৰা কৰাৰ দৃশ্য কল্পনা কৰি বিয়ানামত

গোৱা হয় -

উজনি অসমত ঃ-

ওলাল সাজি- কাজি আমাৰ ৰামচন্দ্ৰ
পুষ্পক ৰথতে উঠি
হয় হস্তীসৰ সঙ্গে চলি যাই
ৰাম যায় মিথিলা পুৰী।

পশ্চিম অসমত ঃ-

কি ছিৰিৰাম, যায় ছিৰিৰাম হাউসেৰ
শশুৰ বাড়ি
ছিৰিৰাম যায়, ছিৰিৰাম যায়
ৰঙ্গে শশুৰ বাড়ি
কিমাথায় বান্ধিল ছিৰিৰাম মণিৰাজ
পাগিৰী
ছিৰিৰাম হাতে নিল হেমতালেৰ
লাঠি।

দৰা আহি কইনা ঘৰৰ পদুলি মুখ পোৱাৰ সময়ত কইনা ঘৰত উখল মাখল লাগে। দৰাক আদৰিবলৈ সকলো ব্যস্ত হৈ পৰে। দৰা পলমকৈ আহি পালে বিয়াৰ নামত গায়-

উজনি অসমত ঃ-

আহিব দিছিলো গধূলি সাত বজাতে
ৰাতিকৈ আহিলা কিয়?
ৰ'ব দিছিলো বাটচ'ৰাৰ মুখতে
কলৰ তল সোমালা কিয়?

পশ্চিম অসমত ঃ-

কইনাৰ বাপৰ বাড়িত বকফুলেৰ গাছ
সেইনা ফুলে ফুটিয়াৰে বাসে
মখমল কাৰে
কেনৰে দেশ ঘুৰা দামান
এত ৰাইত কেনে
আমাৰ চাওৱাল বালি ভোকে
হয়ৰাণ হৈল নাৰে।

দৰাক বৰণ কৰি আনি হোমৰ গুৰিত বহুৱাই পুৰোহিতে বৈদিক কাৰ্য আৰম্ভ কৰে। কইনাক সম্প্ৰদান কৰিবলৈ জোঁৱাইক কাঁহী- বাটি, কলহ, বস্ত্ৰ আদি বৰণ দিয়া পৰম্পৰা অসমৰ সকলো অঞ্চলতে আছে। জোৱাইক বস্তু দি সন্তুষ্ট কৰা সহজ নহয় যে তাৰ প্ৰমাণ বিয়া নামত পোৱা যায়-

উজনি অসমত ঃ-

বৰ কলহ কৰিলো দান
তথাপি জোঁৱাইৰ অপমান ঐ
ঐৰে লোৱা জোঁৱাই হাতে পাতি
থোৱা জোঁৱাই কাষৰ কৰি
তোমাৰ শহুৰ বৰ দানী
আকৌ দিব এটা আনি।

পশ্চিম অসমত ঃ-

মাকলা বাশেৰ তলে ৰইদে জিলমিল
কৰে
মাৰোৱাৰ তলত বসি কন্যাৰ বাপ
সম্প্ৰদান কৰে
ঘৰা দিছি দানে জল আনা কাৰণে
তাও জামাই গালি পাৰে
ভৰাসভাৰ মাজে।

হোমৰ গুৰিত দৰা-কইনা বহাৰ পিছত দৰা, কইনা উভয় পক্ষৰ মাজত বিয়ানামৰ মাজেৰে ঠাট্টা-মস্কৰা আৰম্ভ হয়। এই নামসমূহক উজনিত 'যোৰা নাম' আৰু নামনিত 'খিচাগীত' বুলি কোৱা হয়। দুই পক্ষৰ আয়তীসকলৰ মাজত যোৰানামৰ এক অঘোষিত প্ৰতিযোগিতা আৰম্ভ হয়। যোৰানাম বিলাকত দৰা-কইনাৰ সম্পৰ্কীয় লোক, দৰাৰ সখি, পুৰোহিত আদিক সাঙুৰি জোকাই ৰং তামাচা কৰা হয়। উজনি আৰু পশ্চিম অসমৰ দুফাঁকিমান যোৰানাম উল্লেখ কৰা হ'ল-

উজনি অসমত ঃ-

লাট চাহাবৰ বেহেৰা
দৰাৰ ভনীয়েকে
দেখুৱাইছে চেহেৰা
চেহেৰাটো চেহেৰা
ভয়লগা চেহেৰা
ফটো তুলিবলৈ
নাই আমাৰ কেমেৰা

পশ্চিম অসমত ঃ-

গুৱা কাটং চটিৰে চটি
পাণ বান্ধং আটি

বৰেৰ বইনটো সাজিয়া আছে
গৌৰীপুৰেৰ নটী
আন নটীক
বান্ধ গুৱাৰ গাছে ৰে

এনেকৈ আন গীত মাতৰ মাজেৰে বিবাহ কাৰ্য শেষ হয় আৰু কন্যাৰ বিদায়ৰ মুহূৰ্ত আহি পৰে। ই অতি হৃদয় বিদাৰক দৃশ্য। সকলোৰে পৰা ছোৱালী এজনীয়ে ডাঙৰ হোৱা ঘৰখন এৰি যোৱাটো কিমান কঠিন তাৰো প্ৰকাশ বিয়া নামত পোৱা যায়। সেই মুহূৰ্তত চকু চলচলীয়া কৰি গোৱা নামবোৰত কইনাক পোহনীয়া চৰাইৰ লগত তুলনা কৰে এইদৰে-

উজনি অসমত ঃ-

ঐ গছৰ কোমল কঁহি ভাটৌ পৰি যায়
দেউতাই পোহা ম'ৰা চৰাই
ৰামে লৈ যায়।

পশ্চিম অসমত ঃ-

উৰিয়া যায় মোৰ
ঘৰ ভোলা ডাউকি ৰে
ফিৰিয়া চায় মোৰ
ঘৰ ভোলা ডাউকি ৰে।

বিয়ানামে বিয়া এখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত যথেষ্ট অৰিহণা যোগায়। আয়তী সকলৰ মুখে মুখে চলি অহা এই নামবোৰ অসমীয়া লোক সংগীতৰ এক আপুৰুগীয়া সম্পদ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই নামবোৰ আমাৰ সমাজৰ পৰা হেৰাই যাবলৈ ধৰিছে আৰু তাৰ ঠাই দখল কৰিছে কিছুমান আমদানিকৃত সংস্কৃতি আৰু কৃত্ৰিম জাকজমকতাই।

●●●

'প্ৰতিটো ৰঙৰে প্ৰতিপাহ ফুল
যদি থাকিলেহেঁতেন
মোৰ মৰমৰ, জীৱনৰ
সৰু এই বননিখনত'
-নিৰ্মল প্ৰভা বৰদলৈ

# দেশী মুছলমান সকলৰ লোক উৎসৱ

ছাহাৰুল ইছলাম

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত প্ৰতিনিধিত্ব কৰা মূল নৃগোষ্ঠীসমূহ হ'ল অষ্ট্ৰলয়ড, মংগোলীয়, দ্ৰাবিড়ীয়, নৰ্ডিক (আৰ্য) আদি। এই জাতিৰ সংস্কৃতি জগতখনো বাৰেবৰণীয়া। সংস্কৃতি হৈছে জাতি এটাৰ মেৰুদণ্ড; সাহিত্য হ'ল সংস্কৃতিৰ বাহক। অসমীয়া জনগোষ্ঠীসমূহ প্ৰত্যেকৰে বিভিন্ন ধৰণৰ লোকগীত, লোকবিশ্বাস, লোকাচাৰ, লোক উৎসৱ আদি দেখিবলৈ পোৱা যায়। তদ্ৰূপ দেশী মুছলমান সকলৰ 'গুৱাকাটা' এক ধৰণৰ পৰম্পৰাগত লোক উৎসৱ।

অসমীয়া জাতিৰ অতি পিছ পৰা জনগোষ্ঠী হ'ল দেশী জনগোষ্ঠী। এই জনগোষ্ঠীৰ লোক অতি প্ৰাচীন কালৰ পৰা অবিভক্ত গোৱালপাৰা জিলা আৰু কামৰূপৰ কিছু অঞ্চলত বসবাস কৰা দেখিবলৈ পোৱা যায়। দেশী ভাষা কোৱা বিভিন্ন সম্প্ৰদায়ৰ লোক সকলক দেশী জনগোষ্ঠী বুলি কোৱা হয়।

'গুৱা কাটা' হৈছে দেশী মুছলমান সকলৰ অতি জনপ্ৰিয় তথা আনন্দময় উৎসৱ। এই উৎসৱত বিশেষকৈ বয়সস্থ পুৰুষ বা মহিলাৰ লগত সৰু ল'ৰা বা ছোৱালীক বিয়া দিয়া হয়। কোনো ল'ৰা বা ছোৱালী সৰু থাকোতে সঘনাই বেমাৰত ভুগি থাকিলে ল'ৰাৰ ক্ষেত্ৰত ওচৰে-পাজৰে থকা সম্বন্ধত আইতা বা নানীৰ লগত বিয়া হয়। আনহাতে ছোৱালীৰ ক্ষেত্ৰত সম্বন্ধত আতা বা নানাৰ লগত বিয়া দিয়া হয়। এই বিয়া আনন্দৰ হে। ই কেতিয়াও চিৰস্থায়ী বা সাংসাৰিক নহয়। লোক বিশ্বাসমতে এই উৎসৱ পাতিলে ল'ৰা-ছোৱালীৰ বেমাৰ ভাল হয়।

**এই উৎসৱৰ নিয়ম ঃ**

**ল'ৰাৰ ক্ষেত্ৰত ঃ** সম্বন্ধত আইতা বা নানীৰ ঘৰলৈ ল'ৰাৰ পক্ষৰ পৰা কেইগৰাকীমান ব্যক্তিক পঠোৱা হয় আৰু লগত বিয়াৰ নিচিনাকৈ বিভিন্ন ধৰণৰ সা-সামগ্ৰী তথা আ-অলংকাৰ লৈ যায়। সেইবোৰৰ ভিতৰত হালধি, তেল, আয়না, ফণি, খাৰু, নতুন কাপোৰ, তামোল-পাণ ইত্যাদি। ল'ৰা পক্ষৰ পৰা লৈ যোৱা সা-সামগ্ৰীবোৰ আইতাকক পিন্ধোৱা হয় আৰু ল'ৰাজনক আইতাকৰ কোলাত তুলি দিয়া হয়।

**ছোৱালীৰ ক্ষেত্ৰত ঃ** সম্বন্ধত আতা বা নানাৰ লগত এই উৎসৱ পালন কৰা হয়। আতা বা নানাৰ লগত ভালে কেইজনমান ব্যক্তি ছোৱালীৰ ঘৰলৈ আহে আৰু লগত বিভিন্ন ধৰণৰ সামগ্ৰী আনে। সামগ্ৰীসমূহ যেনে- হালধি, তেল, খাৰু, ফণি, আয়না, নতুন কাপোৰ, তামোল-পাণ ইত্যাদি আনে আৰু ছোৱালীজনীক আতা পক্ষৰ মানুহে নতুন কাপোৰ আৰু অন্যান্য সামগ্ৰীসমূহ পৰিধান কৰায়। শেষত ছোৱালীজনীক আতা বা নানাৰ কোলাত তুলি দিয়া হয়। এই উৎসৱটি এই জনগোষ্ঠীৰ অতি জনপ্ৰিয় আৰু বিভিন্ন ধৰণৰ ৰং-ধেমালিৰ মাজেৰে পাৰ হৈ যায়। দেখাত বাল্য বিবাহ যেন লাগিলেও কিন্তু ই বাল্য বিবাহ নহয়। ই এটি লোক উৎসৱহে। বেমাৰ ভাল হোৱাৰ উদ্দেশ্যে এই উৎসৱৰ আয়োজন কৰা হয়।

দেশী মুছলমান সকলৰ উপাসনাৰ বাহিৰে বাকী বহু সংস্কৃতিৰ ক্ষেত্ৰত কোচ, মেচ, নাথ, যোগী আদি সম্প্ৰদায়ৰ লগত এতিয়াও সাদৃশ্য থকা দেখা যায়।

বিভিন্ন ধৰণৰ লোক উৎসৱ, লোকাচাৰ, লোক বিশ্বাস আদি দেশী মুছলমান সকলৰ মাজত বহুলভাৱে বিদ্যমান। এই দেশী মুছলমানৰ সংস্কৃতি সমূহৰ বিষয়ে গৱেষণাৰ প্ৰয়োজনীয়তা আছে। ধৰ্মীয় জ্ঞান আৰু উচ্চ শিক্ষাৰ প্ৰভাৱৰ ফলত 'গুৱাকাটা' লোক উৎসৱটিৰ সমাদৰ দিনক দিনে হ্ৰাস পাব ধৰিছে। লোক উৎসৱ সমূহ সংৰক্ষণৰ বাবে বিভিন্ন ধৰণৰ প্ৰচেষ্টা কৰিব লগা হৈছে।

**প্ৰসংগ পুথি ঃ**

১। কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি
লেখক - শ্ৰীঅম্বিকাচৰণ চৌধুৰী

●●●

# মিচিং সকলৰ লোক উৎসৱ ঃ আলি আয়ে লৃগাং

ধনমনি দাস

অসমৰ জাতীয় জীৱনৰ এক শক্তিশালী অংগ হ'ল মিচিং জনগোষ্ঠী। নৈ পৰীয়া এই জনগোষ্ঠীটো সাংস্কৃতিকভাৱে অন্যতম চহকী জনজাতি বুলি পৰিচিত।

'আলি আঃয়ে লৃগাঙ'ৰ অৰ্থ হ'ল শস্য সিঁচা উৎসৱ বা শস্য সিঁচাৰ প্ৰথম দিন। 'আলি' মানে শস্য আৰু কঠীয়া, 'আঃয়ে' মানে ফল আৰু 'লৃগাং' মানে শস্য সিঁচাৰ প্ৰথমটো দিন বা গুটি সিঁচাৰ আৰম্ভণি। সেয়ে মিচিং সকলে মাটিত শস্যৰ বীজ সিঁচাৰ পিছত সেইবোৰ যাতে পোক-পৰুৱা আৰু জীৱ-জন্তুৱে নষ্ট কৰিব নোৱাৰে তাৰ বাবে পূৰ্বপুৰুষ আৰু বসুমতীক সেৱা প্ৰাৰ্থনা জনায়।

কিছুমান অলৌকিক ক্ৰিয়া-কৰ্মৰ মাজেৰে মিচিং সকলে 'আলি আঃয়ে লৃগাং' উৎসৱ পালন কৰিলেও এই উৎসৱটি মূলতঃ কৃষিকেন্দ্ৰিক লোক উৎসৱহে। 'আলি আঃয়ে লৃগাং' উৎসৱটি ফাগুন মাহৰ প্ৰথম বুধবাৰে অনুষ্ঠিত কৰা হয়। মিচিং সকলৰ দেৱতা চন্দ্ৰ, সূৰ্য বা দঃ গ্ৰিঃ পঃ লঃ কাচিং—কাৰ্টাং আদিক উদ্দেশ্য কৰি পেনাম বা শ্লোক গোৱা হয়। ঘৰৰ মহিলাসকলেও পুৱাতেই উঠি গা-পা ধুই পুৰাং বা কৌপাতত সিজোৱা ভাত, আপং, শুকান মাছ আদি প্ৰস্তুত কৰি থয় আৰু গৃহস্থই বীজ সিঁচি ঘৰলৈ অহাৰ লগে লগে সেইবোৰ খাবলৈ দিয়ে। পৰম্পৰাৰ মাজেৰে গৃহস্থই খোৱাৰ পিছত ঘৰৰ আনবোৰেও খায়।

ঘৰৰ মাংগলিক কাৰ্যখিনি সম্পন্ন হোৱাৰ পিছত গাঁৱৰ ডেকা-গাভৰুসকলে একেলগ হৈ লৃগাঙৰ গীত-মাত গায় আৰু নাচে। প্ৰতি ঘৰে ঘৰে গৈ যাঃ মে — মৃমবৃৰ বা ডেকা-গাভৰুহঁতে গুমৰাগ নামৰ এবিধ নাচ নাচে আৰু অই নিঃতম নামৰ এবিধ গীত গায়। ৰিঃ বি-গাচেং, মিবু-গালুক আদি পিন্ধি ডেকা-গাভৰু সকলে গীত আৰু নাচ পৰিৱেশন নকৰিলে ধানৰ থোক বাঢ়ি নাহে বুলি বিশ্বাস কৰা হয়। তদুপৰি গুমৰাগ নাচিলে বসুমতী সন্তুষ্ট হয় আৰু পৃথিৱীলৈ বৰষুণ নামি শস্য গজি উঠাত সহায়ক হয় বুলি লোকবিশ্বাস প্ৰচলিত আছে।

আলি আঃয়ে লৃগাং কৃষিমূলক উৎসৱ হ'লেও ইয়াৰ মাজেৰে মিচিং সমাজ জীৱনৰ সামগ্ৰিকতা প্ৰকাশ পায়। বিশেষকৈ লৃগাঙক কেন্দ্ৰ কৰি নচা গুমৰাগ নাচ আৰু অই নিঃতমৰ মাজেৰে মিচিং সমাজ জীৱনৰ কৃষি কৰ্ম, বয়ন পদ্ধতি আদি অতি উজ্জ্বল ৰূপত প্ৰকাশ পোৱা দেখা যায়। মিচিং বয়ন শিল্প আৰু সাজপাৰৰ কথা প্ৰকাশ পোৱা কেইটামান অই নিঃতম হ'ল—

'ৰিঃবি-গাচেং গীঃ গেলা মাকান এগে গীঃ গেলা।
ঙলুক মিচিং মৃঃ মবৃৰ চিল গীঃগেল চঃমান দুং।।'

অৰ্থ— ৰিঃবি-গাচেং পিন্ধি ফুলাম মেখেলাযোৰ পৰিধান কৰি আমাৰ মিচিং গাভৰুৱে আজি গুমৰাগ নাচিছে।

'আলি আঃয়ে লৃগাঙ'ৰ গীতবোৰক 'লৃগাং-নিঃতম' বুলি কোৱা হয়। এই লৃগাং উৎসৱ পালন কৰোতে মিচিং গাঁৱৰ ধনী-দুখীয়া, সৰু-বৰ সকলোৱে সমান উৎসাহ আৰু উদ্যমেৰে অংশগ্ৰহণ কৰে। ডেকা-গাভৰুৰ দলে গাঁৱৰ প্ৰতিঘৰতে গুমৰাগ-চঃমান নাচি, অই নিঃতম গাই সকলোকে মিলি-জুলি একতাৰ মাজেৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। এনেদৰে নাচোন আৰু আৰ্শীবাদ দিওঁতে চাৰি-পাঁচদিনলৈকে সময় লাগে। এই চাৰি-পাঁচদিন মিচিংসকলে গেনা পালন কৰে। গেনা পালনৰ সময়খিনিত তেওঁলোকে ঘৰৰ বা পথাৰৰ কাম কাজ নকৰে। গেনাৰ পৰ্ব শেষ হোৱাৰ পিছত প্ৰতিঘৰৰ মুখিয়ালজনে এবাটি পঃৰ আপং পূৰ্বপুৰুষৰ নামত জুহালৰ চতুৰ্দিশে ঢালি উৎসৰ্গা কৰাৰ অন্ততঃ গেনামুক্ত হয় আৰু পূৰ্বতকৈ অধিক উদ্যমেৰে কৃষি-কৰ্মত আত্মনিয়োগ কৰে।

●●●

# অসমৰ দেশী মুছলমানসকলৰ পৰম্পৰাগত বিবাহ

কুদ্দছ আলী

বিবাহ এক সামাজিক প্ৰথা। বিবাহৰ লগে লগে নাৰী পুৰুষ এক হৈ পৰে। এই প্ৰথাৰ জৰিয়তে দুখন ঘৰ, দুখন সমাজো সামাজিক বন্ধনেৰে দৃঢ় হৈ পৰে। বিবাহ কাৰ্যত জাতি অনুযায়ী ধৰ্ম অনুযায়ী বিভিন্ন ৰীতি-নীতি পালন কৰাটো সামাজিক পৰম্পৰা। অসমত দেশী মুছলমান সকলে বিবাহৰ ক্ষেত্ৰত বিভিন্ন ৰীতি-নীতি পালন কৰা দেখা যায়।

সাধাৰণতে অসমৰ দেশী মুছলমানৰ বিবাহ কাৰ্য ছয়টা পৰ্বত সম্পন্ন কৰা দেখা যায়। যেনে—

ক) জবাব পৰ্ব।

খ) জাননী পৰ্ব।

গ) প্ৰস্তুতি পৰ্ব।

ঘ) বিয়া পৰ্ব।

ঙ) অন্তিম পৰ্ব।

চ) অন্যান্য পৰ্ব।

ক) জবাব পৰ্ব ঃ জবাব পৰ্বটো আৰবীয় তথা ইছলাম ধৰ্মাৱলীৰ মতে সম্পন্ন কৰা হয়। গতিকে জবাব পৰ্ব আমাৰ আলোচ্য বিষয় নহয়।

খ) জাননী পৰ্ব ঃ দেশী জনগোষ্ঠীৰ বিয়াসমূহত সমাজৰ মানুহবোৰক বিশেষভাৱে গুৰুত্ব দিয়া হয়। ৰাইজক আগতীয়াকৈ জাননী নিদিয়াকৈ কোনেও ছোৱালীক বিয়া নিদিয়ে। অন্যথা এঘৰীয়া হৈ হোকা পানী বন্ধ হোৱাৰ লেখিয়াৰ শাস্তিৰ সন্মুখীন হোৱা পৰিস্থিতিৰো সৃষ্টি হয়। পাণ-তামোল দি কন্যা সমাজৰ মানুহক বিয়াৰ জাননী দিয়াৰ কাৰ্য্যক পাণ-তামোল কটা পৰ্ব বুলি কোৱা হয়। ছোৱালী পক্ষই কেইপোণ (এক পোণ মানে ৮০ টা) কেঁচা তামোল আৰু কেই ডিচা (এক ডিচা মানে ১৬ গুচি বা ১৬ মুঠা) পাণ তাৰ হিচাপ দিয়ে। এই হিচাপ অনুসৰি দৰাঘৰীয়াই পাণ-তামোল লৈ গৈ কন্যাঘৰীয়া সমজুৱাৰ আগত ৰাজহুৱাভাৱে গোটা পাণ-তামোল দি স-সন্মানে বিয়াৰ ঘোষণা কৰিব লাগে। এই সভাতে দৰাঘৰে কন্যাক দিল মহৰ (দেন মহৰ)ৰ লগতে বিয়াৰ তাৰিখো নিৰ্ধাৰণ কৰে।

গ) প্ৰস্তুতি পৰ্ব ঃ দেশী জনগোষ্ঠী আৰবীয় ৰীতি-নীতিৰ সতে এক প্ৰকাৰ অপৰিচিত। তাৰ প্ৰমাণ বিয়াৰ প্ৰস্তুতি পৰ্বতে পোৱা যায়। বিয়াৰ সামগ্ৰী কিনা আৰম্ভ কৰোঁতে পোন প্ৰথমে সেন্দুৰ কিনাটো বাধ্যতামূলক। গৃহস্থ বজাৰলৈ গ'লে পাহৰিব পাৰে কাৰণে গৃহিনীক বয়োজ্যেষ্ঠা মহিলাই দঢ়াই দঢ়াই মনত পেলাই দিয়াৰ চেষ্টা কৰে। যাতে প্ৰথম কিনা বস্তুবিধ সেন্দুৰহে হয়। দ্বিতীয়তে হালধি কিনিব লাগে যদিও ই বাধ্যতামূলক নহয়। ঘৰৰ বয়োজ্যেষ্ঠা মহিলাই ওচৰ চুবুৰীয়াৰ জীয়ৰী-বোৱাৰীক লাগি-ভাগি দি সহায় সহযোগিতা আগবঢ়াবলৈ আমন্ত্ৰণ কৰে। কাপোৰ ধোৱা, ঘৰ মোছা, পিঠা গুড়ি, চিৰা খুন্দা, মুড়ী, পিঠা, লাডু বনোৱা আদি কামবোৰ ওচৰ-চুবুৰীয়াই কৰাৰ যোগেদি বিয়াৰ প্ৰস্তুতি কাৰ্য্যটো ক্ৰমান্বয়ে আগবঢ়াই লৈ যায়।

ঘ) জোৰোণ পৰ্ব ঃ জোৰোণ হ'ল বিয়াৰ আটাইতকৈ উল্লেখযোগ্য পৰ্ব। জোৰোণ হ'ল অলিখিত ৰেজিষ্ট্ৰাৰ্ড দলিল। জোৰোণ দিয়া ছোৱালীৰ কোনো কাৰণত বিয়া নহ'লে আজীৱন কুমাৰী হৈ থকাৰ নিচিনা শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়।

দুয়ো ঘৰতে কল গছৰ বাকলিৰে সাতাসী (কুলাৰ ওপৰত চকা আকৃতিৰ) বনোৱা হয়। কলগছৰ বাকলিৰ বনা চকা আকৃতিৰ সাতাসীৰ চাৰিওফালে সেন্দুৰৰ ফোট দিয়া হয়। সাতাসীৰ মাজত মিঠাতেলৰ মাটি চাকি, এযোৰ তামোল-পাণ, দুটা মনুৱা (চেনী কল) কল, সেন্দূৰৰ টেমা, কেইটামান দুবৰি বন (কোনোৱে কোনোৱে এযোৰ নাৰিকল দিয়ে) দি সাতাসী সজোৱা হয়। প্ৰথমতে দৰাক শিংৰোৱা হয় (শৃংগাৰ কৰা হয়)। শিং ৰোৱাৰ সময়তে বিভিন্ন ধৰণে গীত গোৱা হয়। যেনে—

১। হাতো মেলি দেওৰে বাছা  
ঠেঙো মেলি দেওৰে বাছা  
হালধি পিন্ধা কৰি আমৰা  
কৰি আচকে তামছা—।

জোৰেজোৰ নিয়ক সময়ত সাতাসী ত্ৰি দৰা-কন্যা উভয়ৰে চাৰিওকাষে ঘূৰি ঘূৰি তুলত দিয়া ধৰণে গীত গোৱা হয়।

দুই সৰ্খি বলান দিয়া আইসে কি অ সই

কুমু বলান দিয় আইসো কি অ সই

সুকি কেন যাচেৰে শিতা ভৰা সেন্দুৰে

মুই নাৰী না পিন্ধং শিতাই কি অ সই।

ঙ) বিয়া পৰ্ব ঃ ইছলামপন্থী সকলৰ বিয়া কাৰ্য্যক নিকাহ বুলি কোৱা হয়, কিন্তু অবিভক্ত গোৱালপাৰাৰ দেশী জনগোষ্ঠীয় লোকসকলে যেতিয়া দৰা-কন্যা কোনোবা এজনৰ বা উভয়েৰে দ্বিতীয় বিবাহ হয় তাক নিকাহ বুলি কয়। ইয়াত 'বিয়া' শব্দটোৰে প্ৰথম বিয়হি বুজায়।

দৰাৰ ঘৰত পৰম্পৰা ৰীতি-নীতি ৰক্ষা কৰি বিয়া কৰিবলৈ কইনাৰ ঘৰত উপস্থিত হোৱাত ৰভাৰ সন্মুখত ভেটা খোৱাৰ পৰিলক্ষিত হয়; তাতো পৰম্পৰাগত ৰীতি-নীতি পালন কৰা হয়। পৰম্পৰা ৰক্ষা কৰি ৰভাত প্ৰৱেশ কৰে মানে বাজি উঠে বিয়া গীতৰ সুৰৰ লহৰ

ইসিল বিশিল চুলেৰ ছাইৰে

তোৰ ঘুগেৰে তালে মাটি

দামান্দেৰ ভাই আইসৰে

তাৰ হাটুৰে তোলা ধুতি

তাৰপিছত দৰা পক্ষৰ পৰা উত্তৰ দিয়ে বিয়া গীতৰ দ্বাৰা এনেদৰে—

এতো শুক নালুন সৰিয়োৰ নান

কইনাৰ বাপেৰ কেমন

ওই শাটি বোৰা পানী আহ্ল দিয়ে

কইনেৰ বাপেৰ গলা ভিজেয়ুৰ খান।

এনেদৰে আম্য-স্ফুৰ্তি কৰি বিয়াক পৰ্বটো আনন্দময় কৰা হয়। কাজিৰ সহযোগিতাত বিয়াৰ কাম সম্পন্ন কৰা দেখা যায়। দৰা পক্ষই দিন মহৰ (দেন মহৰ) আদায় দি বিয়াৰ বাবলগা সঠিক হিচাপ ত্ৰি মুৰব্বী তথা বয়োজ্যেষ্ঠ ব্যক্তিৰ আশাৰ ত্ৰি অন্তিম পৰ্যায়ত পৰম্পৰাগত খাদ্যৰ জৰিয়তে বিয়াৰ পৰ্ব শেষ কৰা দেখা যায়। বিদায় পৰ্ব বোলা আন এটা পৰ্ব দেখা যায়, য'ত পৰম্পৰাগত নিয়ম মানি চলা হয়। তাৰপিছত কইনাক দৰা ঘৰত অনাৰ পিছৰ পৰা বহুতো পৰম্পৰা মানি চলা দেখা যায়।

চ) অন্তিম পৰ্ব ঃ ছোৱালী মাকৰ ঘৰলৈ ভিভতি যোৱাৰ পাছত জোঁৱায়েকক নিমন্ত্ৰণ কৰে যাক ঘৰ উঠা বা মাজিয়া পাৰা (গচকা) বুলি কোৱা হয়। জোঁৱায়েকক খুৱাই-বোৱাই বিদায় দি কেইদিনমান পিছত সাধ্যানুসাৰে ডাঙৰ বৰালি মাছ, পিঠা, খীৰ, দৈ দি (ভাৰ দিয়া বুলি কয়) স্বামীৰ গৃহত আকৌ থৈ যায়। ইয়াকে 'মাস ফিৰা' (দ্বিৰা গমন বা পতি গৃহত পুনৰাগমন) বুলি কয়।

এনেদৰে বিভিন্ন ৰীতি-নীতিৰে বিবাহ কাৰ্য্য সামৰণি পৰা দেখা যায়।

●●●